# যুৱক-যুৱতী আৰু সমাজ

দীপাঞ্জলী ৰাভা
স্নাতক তৃতীয় বৰ্ষ

সমাজ গঠনত যুৱক-যুৱতীসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। এখন সুস্থ, শৃংখলাবদ্ধ তথা শান্তিপূৰ্ণ সমাজ গঠন কৰাৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ দায়িত্ব অপৰিসীম। যুৱক-যুৱতীসকলক সমাজ গঠনৰ ক্ষেত্ৰত এটা অবিচ্ছেদ্য অংগ হিচাপে বিবেচনা কৰিব পাৰি। এখন সমাজ ভাল আৰু বেয়া হোৱাটোও নিৰ্ভৰ কৰে যুৱক-যুৱতীসকলৰ ওপৰত। গতিকে এখন সমাজৰ প্ৰতি যুৱক-যুৱতীসকলৰ এক গধুৰ দায়িত্ব আছে আৰু এই দায়িত্ব পালন কৰাটো তেওঁলোকৰ নৈতিক কৰ্তব্য।

কিন্তু দায়িত্ব পালন কৰিবলৈ যাওতে প্ৰতিজন যুৱক-যুৱতীয়ে নিজক আগতে শুদ্ধ কৰি ল'ব লাগিব। নিজক শুদ্ধ কৰি লোৱাৰ পিছতহে আনক শুদ্ধ কৰিব পাৰি। হাবিত ফুলা এপাহ কেতেকী ফুলৰ সুগন্ধই ভাহি আহি আমাৰ মন উন্মনা কৰি আনন্দ দিব পাৰে। ঠিক তেনেদৰে এজন ব্যক্তিৰ ব্যক্তিত্বই সমাজ এখনক, দেশ এখনক গঢ় দি তুলিব পাৰে। এজন ব্যক্তিয়ে কৰা ভাল কাম-কাজৰ ফলত সমাজ এখন উন্নতিৰ দিশত অগ্ৰগতি লাভ কৰিব পাৰে। কিন্তু এনেকুৱা এজন ব্যক্তি হ'বলৈ হ'লে তেওঁ লোভ, মোহ, কাম, ক্ৰোধ, ভয়, নিন্দা, দীৰ্ঘ শত্ৰুতা আদিৰ পৰা সদায়ে বিৰত থাকিব লাগিব। ইয়াৰ উপৰি নম্ৰতা, ভদ্ৰতা, শিষ্টাচাৰ, নৈতিকতা, আধ্যাত্মিকতা, মানবতা আদি গুণ থাকিব লাগিব আৰু ব্যক্তিজন কষ্ট সহিষ্ণু, ন্যায় পৰায়ণ, ভক্তি পৰায়ণ, উদাৰ, দয়াশীল হ'ব লাগিব। তেতিয়াহে এজন ব্যক্তিয়ে সমাজৰ গৌৰব উজ্জ্বল কৰিব পাৰিব।

কিন্তু এখন সমাজ অকলে সুস্থ-সবল, শৃঙ্খলাবদ্ধ কৰি তুলিব নোৱাৰি। এই ক্ষেত্ৰত প্ৰতিজন ব্যক্তি বা যুৱক-যুৱতীয়ে আগবাঢ়ি আহিব লাগিব। সকলোৱে সৎ সাহস, সহায় সহযোগিতাৰ জৰিয়তেহে সুস্থ শঙ্খলাবদ্ধ সমাজ গঢ়ি তুলিব পাৰি। সমাজৰ সকলো লোকেই যদি চেষ্টা কৰে তেতিয়াহলে সমাজ এখন নিশ্চয় গোলাপ ফুলৰ বাগিচা স্বৰূপ কৰি তুলিব পাৰি।

এইখিনিতে এষাৰ কথা মন কৰিবলগীয়া যে বৰ্তমান সময়ত দূৰ্নীতি, সাম্প্ৰদায়িকতা, সংঘৰ্ষ, দলীয় বিদ্বেষ, ব্যক্তিৰ অসহিষ্ণুতা আৰু বৰ্ধিত নিবনুৱা সমস্যা আদিয়ে সমাজখনক আবৰি ধৰিছে। ইয়াৰ ফলত বৰ্তমান সমাজৰ যুৱক-যুৱতীৰ মনত এক অস্থিৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বৰ্তমান যুৱক-যুৱতীসমূহ এক হতাশা জনক পৰিৱেশৰ সন্মুখীন হ'ব লগা হৈছে আৰু যাৰ ফলত অপৰাধ প্ৰবণতাই দেখা দিছে।

যিয়েই নহওঁক বৰ্তমান অন্ধকাৰ সমাজক পোহৰৰ পথলৈ অনাৰ এক চৰম মুহূৰ্ত আহি পৰিছেহি। সমাজত দেখা দিয়া যিকোনো সমস্যা যুৱক-যুৱতীসকলে সমাধান কৰিব লাগিব। গতিকে এই সময়ত দেশৰ তথা সমাজৰ ধৰণী স্বৰূপ যুৱক-যুৱতী সকলৰ ওপৰত সম্পূৰ্ণ দায়িত্ব আহি পৰিছে।

এনে এটা চৰম পৰ্যায়ত প্ৰতিজন যুৱক-যুৱতীয়ে সচেতন হবৰ হ'ল, শৃংখলাবদ্ধ সুস্থ সমাজ গঢ়াৰ সপোন পুৰণ কৰিবৰ হ'ল।

আমাৰ সমাজবোৰলৈ লক্ষ্য কৰিলে প্ৰায়ভাগ যুৱক-যুৱতী সেই অন্ধকাৰ, উশৃংখল, কোলাহলপূৰ্ণ সমাজখনক পোহৰ কৰি তুলিবলৈ বহুতো শ্ল'গান দিয়া দেখা যায়। কিন্তু শ্ল'গানে একো সাফল্য আনিব নোৱাৰে। যুৱক-যুৱতীসকলে সৃষ্টিৰ পথাৰত শান্তিৰ বীজ সিচিবলৈ হলে শ্ল'গান দি থাকিলে নহ'ব। সমস্যা সমাধানৰ বাবে হাতে-কামে কৰিব লাগিব। সকলোৱে ভ্ৰাতৃত্ববোধ, আত্মীয়তাৰ মনোভাবেৰে আমি সকলো একেটা পৰিয়ালৰেই আৰু এজন ঈশ্বৰৰে সৃষ্টি বুলি ধৰি লৈ নিজৰ কৃতিত্বৰে, পৰিশ্ৰমেৰে কৰণীয় দায়িত্ববোৰ নিজে নিজে কৰি গলেহে সমাজ এখন শান্তিপূৰ্ণ, মধুময় আৰু উন্নত কৰি তুলিব পাৰি। যিহেতু কঠোৰ পৰিশ্ৰমেই সফলতাৰ উৎস আৰু ইয়াৰ জৰিয়তে সামাজিক প্ৰগতি আৰু শান্তি লাভ কৰিব পাৰি। ◻

---

*প্ৰকৃতিৰ শ্ৰষ্টাৰ হাতৰ পৰা যেতিয়া ওলাই আহে তেতিয়া প্ৰত্যেক বস্তুৱে ভাল, মানুহৰ হাত লাগিলে নষ্ট হয়।*

—ৰুছো

# গছ আমাৰ প্ৰকৃত বন্ধু

ধন্য দেৱী বসুমতাৰী
স্নাতক ৩য় বৰ্ষ

গছ থাকিলেহে মানুহ থাকিব,
গছে আমাৰ অভাৱ পূৰায়,
গছে আমাৰ চকু জুৰায়,
এজোপা কাটিলে দহ জোপা ৰুবা
মাটি পুতি ভালকৈ ৰুবা।

এনেধৰণৰ বক্তব্য আমি প্ৰায়েই শুনিবলৈ পাওঁ। এনেধৰণৰ কথা আমি কেৱল শুনিলেই বা শুনালেই নহ'ব। তাক আমি হাতে-কামে কৰি দেখুৱাব লাগিব। কাৰণ উপদেশতকৈ আৰ্হি ভাল। গছ-গছনি অবিহনে আমাৰ জীয়াই থকা অসম্ভৱ। গছে আমাক বিভিন্ন দিশত অভাৱ পূৰণ কৰে। সেইদৰে প্ৰাকৃতিক সৌন্দৰ্য্যৰ দৰে এটি মনোমোহা দৃশ্য আমাৰ আগত দাঙি ধৰে। আমি এজোপা গছ কাটি যদি ছজোপা কিয় দহজোপা ৰুই দিও তেতিয়া নিশ্চয় গছৰ সংখ্যা প্ৰয়োজনতকৈ বাঢ়িব। সুন্দৰ পৰিৱেশ আমাৰ বাবে অতি প্ৰয়োজন। সেয়েহে সুন্দৰ পৰিৱেশ এটা গঢ়ি তুলিবৰ বাবে গছ-গছনি বোৱাৰ প্ৰতি আমি সকলোৱে সচেতন হোৱা উচিত।

আমাৰ চাৰিওফালৰ পৰিৱেশক সুন্দৰ কৰি ৰখাৰ দায়িত্ব আমাৰ। সেয়ে প্ৰকৃতিৰ লগত আমাৰ গভীৰ সম্বন্ধ থকা উচিত। এনে সম্বন্ধ অটুট ৰাখিবৰ বাবে আমি গছ-গছনি ৰুই আমাৰ পৰিৱেশ সুন্দৰ কৰি ৰাখিব লাগিব। এটি সুস্থ - সবল জীৱন-যাপন কৰিবৰ বাবে সুস্থ পৰিৱেশৰ দৰকাৰ। স্কুলত ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সুন্দৰ কৰি ৰাখিবলৈ সজাগতাৰ সৃষ্টি কৰি তুলিব লাগে।

গছ-গছনিক আমি প্ৰকৃত বন্ধু হিচাপে গ্ৰহণ কৰিব পাৰো। কাৰণ গছে আমাক জীয়াই থকাৰ পৰা আৰম্ভ কৰি সকলো কাম-কাজত একান্তভাৱে সহায় কৰে। ডাঙৰ গছ-গছনিৰ পৰা আদি কৰি তৰু-তৃণ বনলৈকে এই সকলোবোৰ গছ-বন কাঠ ফলাৰ পৰা আৰম্ভ কৰি নানা ঔষধ তৈয়াৰ কৰালৈকে ব্যৱহাৰ কৰা হয়। অৰ্থাৎ গছ-গছনি আমাৰ সকলো কামতে সহায়ক হয়।

মানুহ আৰু প্ৰকৃতিৰ মাজত সু-সামঞ্জস্যতা গঢ়ি তুলিব লাগে। আমি যেতিয়া প্ৰখৰ ৰ'দত কৰবালৈ যাওঁ তেতিয়াও গছে আমাক ছা দি সিহঁতৰ কৰ্তব্য পালন কৰে। কিন্তু এই ছাঁ পাবৰ বাবে গছ-গছনি বোৱাত আমি অবহেলা কৰা অনুচিত। সেইদৰে বতাহ-ধুমুহাৰ পৰা গছ-গছনিয়ে আমাক ৰক্ষা কৰে। দেখা যায় গছ-গছনিয়ে আমাক প্ৰকৃত বন্ধুৰ দৰে সহায় কৰে।

মানুহে কাঠ ফালি, খৰি কাটি গছ-গছনি ধ্বংস কৰাৰ বাবে বহু গছ-গছনি কাটি তহিলং কৰিব ধৰিছে। কোম্পানীৰ টাৱাৰ বহুৱাৰ নামত বহু গছ-গছনি কাটি ধ্বংস কৰি তুলিছে। গছ-গছনিবোৰ কাটি বৰ দুখ লগাজনক পৰিস্থিতিৰ সৃষ্টি কৰি তুলিছে। গছবোৰে যেন চিঞৰে "এনেকৈ আমাক কাটি প্ৰকৃতি ধ্বংস নকৰিবা।" কিন্তু গছবোৰৰ কথা কোনে শুনে। গছবোৰৰতো হাত-ভৰি নাই যে গছবোৰ বাধা দিব। সেয়ে গছ কটা মানুবোৰে গছ কাটি গুচি যায়। প্ৰকৃতি আৰু বিজ্ঞানৰ মাজত সামঞ্জস্য ৰক্ষা কৰি চলিব লাগিব। টাৱাৰ বহুৱাৰ নামত যিমানবোৰ গছ কাটি

প্ৰকৃতি ধ্বংস হৈছে সেইবোৰ আমি ৰোৱাৰ ব্যৱস্থা কৰিব লাগে। জনসাধাৰণৰ লগতে চৰকাৰেও এই দিশত চকু দিব লাগে।

জনসাধাৰণে গছ কাটিলে সমাজে বা বন বিষয়াই বাধা দিব পাৰে। কিন্তু টাৱাৰ বহুৱাৰ নামত চৰকাৰে যিমানবোৰ গছ-গছনি কাটিলে সেইবোৰতো সমাজে কিয় বন বিষয়াইও বাধা দিব নোৱাৰে। সিহঁতে বহু ডাঙৰ ডাঙৰ গছ কাটি তাৰ সলনি সৰু গছ পুলি ৰোৱাৰ ব্যৱস্থা কৰিছেনে ? চৰকাৰে এজোপা কটাৰ সলনি ছজোপা ৰুইছেনে ? পাৰিমনে আমি এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ ?

গছ-গছনিৰ লগত মানুহৰ যাউতিযুগীয়া সম্পৰ্কক আমি প্ৰচণ্ড আঘাত হানিবলৈ ধৰিছোঁ। নিজৰ বন্ধুকে আমি হৃদয়হীন ভাৱে ধ্বংস কৰিবলৈ ধৰিছোঁ। এই বন্ধুত্বৰ সম্পৰ্কক সজীৱ কৰি তোলাৰ একমাত্ৰ উপায় গছ ৰোৱা। আমি যি পৰিমানত গছ কাটিছো সেই পৰিমানত যদি গছ ৰুলোহেতেন তেতিয়া পৃথিৱীখন কিমান সে সুন্দৰ হলেহেঁতেন, তাক কল্পনাই কৰিব নোৱাৰি। বৰ্তমান গছ কটাতো এক প্ৰতিযোগিতাৰ দৰে হৈছে, কোনে কিমান গছ কাটিব পাৰে। এনে গছ কটাৰ সলনি গোটেই বিশ্বতে গছ ৰোৱাৰ প্ৰতিযোগিতা আৰম্ভ কৰি সকলোকে প্ৰকৃতি প্ৰেমী কৰি তুলিব লাগে। পৃথিৱীখন সুন্দৰ কৰি ৰখাৰ দায়িত্ব আমাৰ। সেয়েহে আমি গছক প্ৰকৃত বন্ধু হিচাপে লগত লৈ আগবাঢ়ি যাব লাগিব। ☐

# Modern Technology, Disaster and The Future of Humanity

*Prasanta Pathak*
*Asstt.Proffesor*
*Deptt. of English*
*and Ex-Student, Bikali College.*

Etymologically the word '**disaster**' is derived from the Middle French '**de'sastre**' and Old Italian '**disastro**'. In Greek, the root of the word 'disaster' is derived from 'bad-star' which was basically connected with the phenomena of astrology. The ancient Greeks used to prophesize the future after monitoring the deconstruction, deformation or degradation of a star in the sky as sign of ill-omen. They thought that the degradation of a star could create a certain disaster. Disasters are mainly divided into natural and man-made. Disasters caused by human action is known as man-made disasters. Further, man-made disasters are divided into two categories -sociological and technological. Sociological disasters are concerned with the human intentions that include criminal actions, riots, violence, stampedes, battles or wars. Technological disasters mean the collapse of technological system due to human action, failure of technology, negligence, error and misuse which could be the consequence of harm to people and all creation. The most recently occurred tragic death of more than 90 persons at the AMRI private hospital on 9th December, 11 in Kolkata is the vital example of this type of disaster. A major fire engulfed the multi-speciality air-conditioned seven –storey hospital and it took a heavy toll of the life of people who were mostly patients.

Today, in the world of technology, man is the chief cause of the increasing severity and frequency of disasters. As a social and intellectual being man must progress in the world of technologically. But, technological development does not suggest that man should be away from nature. William Wordsworth in his famous sonnet 'The World is Too much With Us' has criticized seriously the increasing materialism of human life and man's alienation from nature in the post industrial revolution era. He wrote,

"The world is too much with us; late and soon,
Getting and spending, we lay waste our powers;
Little we see in Nature that is ours;
We have given our hearts away, a sordid boon!"

Keeping hand in hand with nature man must progress sociologically and technologically without causing any harm of our mother Earth, its environment and its ecological system. The Norwegian Prime Minister, G.H. Brundtland, who was also the Director of World Health Organization (WHO), defines on **sustainable development** as "meeting the needs of present without compromising the ability of future generations to meet their own needs." Again, the comment of Mr. Lester Brown is very relevant in the present global context. He has said, "We have not inherited this earth from our forefathers; we have borrowed it from our children." Nowadays, we shout with our high pitch for the sustainable development from each part of the world. In reality, this slogan is nothing but a bogus one. Today, nobody cares about our biodiversity, ecology, environment or overpopulation. Man is an expert in making demarcation and boundary of land and country. But, nobody can make any demarcation or boundary in the atmosphere. Therefore, why should it be considered essential of our political boundary where man is unable to protect atmosphere from the ensuing disasters and pollutants coming from the other side of the respective boundary? Disasters, pollutions and other types of calamaties never understand the theory of boundary of which a nation is too much conscious about and its protection and military power.

At present existential risks threaten human beings horrifically. Risks to civilization, human beings, animals, plants and all kinds of species living on earth are the existential risks that occurred less or more or could occurred disastrously at any time due to the reactions of unsustainable development. The affects of unsustainable development could bring forth the "dooms day" of humanity. This final catastrophe of the world has been expressed in various phrases such as "End of the World", "Doomsday", "Ragnaro'k", "Judgment Day", "Armageddon", "Apocalypse" and so on.

Global warming that is mainly caused by human activities might cause the climate on the earth to be same as Venus - a stage totally uninhabitable. The major 'Green house' or 'heat trapping' gases are carbon dioxide, ozone, methane, nitrous oxide , chlorofluorocarbons (CFCs) and water vapours, etc. keep our average global temperature of 15°c.The proper concentration of the green house gases controls heat trapping in the environment and the increased concentration of the gases absorb infra-red light containing heat and re-radiation. This phenomenon is known as the **enhanced green house effect** and it could increase the global temperature to 33°C. This type of increased temperature does not only create global warming but affects various other climatic and natural

systems. The increased heat will melt the polar ice sheets and glaciers. According to a UN climate report, the Himalayan glaciers that are the sources of Asia's biggest rivers –Ganges, Indus, Brahmaputra, Yangtze, Mekong , Salween and Yellow could disappear by 2035 owing to constant rise in temperature. Approximately 2.4 billion people live in the drainage basin of the Himalayan rivers, India, China, Pakistan, Bangladesh, Nepal and Myanmar could experience floods followed by droughts in coming decades. The rise of sea level due to the ice-melting will affect life of millions of people who have resided in the deltas of the Ganges, the Nile, the Mekong, the Yangtze, the Mississippi rivers. In India alone, the Ganges provides water for drinking and farming for more than five hundred million people. The West coast of North America, which gets much of its water form glaciers in the mountain ranges such as the Rocky Mountains, Cascade Mountains and Sierra Nevada, also would be affected. The global warming threatens the Human Health because of the increasing high temperature and humidity that could seriously effect the human respiratory system and skin. Again, many diseases related to vector-borne like malaria, filariasis, elephantiasis, schistosomiasis, etc. could effect human health severely.

Modern technologies like Biotechnology, Nano-technology on which the scientists are almost continuously experimenting could create dangerous affect on earth. Biotechnology could lead to the creation of a pandemic. The physical scientists, as it is deemed, might accidentally or undeliberately create a device that could destroy the earth and the solar system. Another kind of disaster is the Ice-9 Type Transition in which our planet including everything on it becomes a strange matter planet in a chain reaction. In future, a total disaster of the world might be mutually proposed by human beings through wars. There would be a cause of full scale nuclear war in the world that could exterminate billions. And the aftermath advent of **nuclear winter** would entirely crush and deface any form of civilization. Likewise, the experiments like Trinity Test and the recently experimented Large Hardon Collider would create an atmosphere of worry and panic among the conscious people. Though the technological cause of is not the 'act of God' or not caused by natural forces but sometimes natural forces would be the contributing factors. The Fukushima Daiichi disaster that struck Japan due to the natural forces like earthquake and tsunami would slow nuclear power growth and another big accident could make tremendous affect on the earth, despite the relative safety of the technology. Many technological disasters have traced the last and the present century. Mina Mata in Japan (1953), Three Mile Island in the USA (1979), Bhopal in India (1984) and Chernobyl in Belarus (1986) permanently disrupted the lives of populations and damaged their environment. The use of

nuclear bombs causes devastation not immediately but it could be continuing for long period. The nuclear holocaust occurred in Japan in 1945 during the time of World War II keeps witness of the two cities Hiroshima and Nagasaki. The impacts of nuclear holocaust are still visible in the both cities.

There is no doubt that there might be a total destruction of the world in future if human beings are not seriously made aware of the concept of sustainable development. Many futurists in the past foretold the future of the world. On the basis of calculation or astrological forecast the past futurists predicted the total destruction of the world might occur one day. The prominent physicist Sir Isaac Newton (1642-1727) perused the old texts and opined that the end of the world would occur no earlier than 2060.But Newton did not give an exact date on the fatal day. People believe that the Mayan civilization's Long Count calendar ends abruptly on December 21, 2012. But the prophesy is based on misconception as the Mayan practice of using only five places in Long Count Calendar inscriptions. The relation of Piktun ending with the Mayan practice is interesting. It is believed that there will be a Piktun ending (a cycle of 13144,000 day Bak'tuns) on 21 December, 2012. A Piktun marks the end of a 1,872,000 day or approximately 5125 year period and is a significant event in the Mayan calendar. However, the historical prophesies are not based on scientific truth. The truth is that the future of the world will totally depend on human actions. □

# ETHICS OF VALUE BASED EDUCATION

*Swarna Lata Das*
*Asstt. professor, Dept. of Education*
*& Ex. Student, Bikali College*

The invention of science and technology have removed the greatest obstacles to human well being and happiness. If only we use them for proper purposes and in place they are needed most, it will be possible to lead the world to haapy, safe and generous state. Integration of ethics and values in both curriculular and co-curricular activities are important in present situation. Education is a process in which occurs the mainifestation of a perfection. The concept of education facilitates the physical, mental, social, emotional and spiritual development of a person. It is educaiton alone that can add value to the intellectual, emotional, moral, material, social, spiritual and technological components of the personality of man. Tension between materialistic pursuits and the quest for sprituality is a globally acknowledged phenomenon. The present educational system should make a close link between curriculum and co-curricular activities so tahat allround development of personality can be achieved.

There is a growing concern over erosion of essentail values and increasing cynicism. To make educaiton a forceful tool for cultivaiton of moral and social values the need for adjustment of co-curricular activities is strongly felt.

Integration of ethics and values becomes a highly challenging task both in curriculum and co-curricular activities. Educational institution can be further stregthened with the application of co-curricular activities. Thus the challenges of the 21 century can be reached. The concept of Vedanta and ethics and a general frame work to integrate education in human values in our technology educational system is the high demand of the time.

Curricular and co-curricular activities develop our emotional, intellectual

and spiritual values. Here are some important approches through which value based education can be attained -

1. The present bookish knowledge should be turned to real life knowledge to build a skillfull and efficient personality which is supposed to develop the society and the nation.

2. Present educational institutions are built on bricks, machinary and other materials; where as the engineer of tommorow need founding and ethics attitudes and morals.

3. The qualification of the time is determined by clocks, examination and luck whereas; career and empowerment should be based on knowledge, competence and interactive exposure.

4. Present day teaching does not base on inculcation of culture and heritage of the country; rather it is besed on the disposal of each student through web-based computer aided technology and learning.

Thus integration of ethics and values through creating capacity for moral leadership rest on the following aspects.

1. Moral leadership requires strong connection and ability to carry on the mission of human betterment setting aside all other considerations.

2. Individuals with strong self motivation and inner directedness have to be prepared.

3. Colleges need to impart positive values, moral ethical, social and philosophical values to make them undersatand that the values of truth and sincerity is much stronger than the other means.

4. The value of love compassion, dedication, devotion, loyalty and integraty must be taught as the principles of life.

5. The fact that only countries with royalty ideals prosper has to be underlined.

6. Moral and spiritual eduacation must be made a part of the curriculum.

**Integreted approach in both cirriculum and co-curricular Activities**

From the above discussion it is obvious that both curriculur and co-curricular activities must be integrated for strengthening moral values among our youths. For example, Economics Forum along with National Service Scheme (NSS) can help our students in conducting a socio-economic survey ten kilometeres of the location of a college which also helps in frequent visits for feed back by our students. This can be inatiated along with the questionnaire which contains various queries. This is also as part of kindling life spirit of social responsibility and promoting the work of a college towards social relevance

Dr. Kalam has said "With 300 universities, 13000 colleges, five lakh teachers and 5,83,000 villages, it is essential that every university within its ten kilometres have to adopt a village and shoulder the responsibility of providing literacy to 10,000 population aanually and college catering to literacy of 1000 population.

1. A nature lovers club would facilitate the awarness for conservation of enviroment and ecological balance
2. Palcement cell should tap all sources for opportunities to our students and help them acquire requisite skills.
3. Quality enhancement cell must keep record of achievement in academic excellence and other co-curricular activities of students and teachers.
4. Personality development programmes should be part of emphassing on tolerance, universal brotherhood and co-existence.
5. Yoga should be instructed to combat stress and help maitaining a sound physical and mental health.

From the above discussion it is clear that in order to built up a relationship and to create a congenial atmosphere the need for value based education is the crying need of the time. Modern thinkers and policy makers should be aware of the fact that without proper utilization of value oriented education right from the early stage of education the dream of national development cannot be guaranted. It should be the mission of every Indian.

□ □

References :

*University News, December Issue, 2003
*Thought on Education - By- U.N.Borah, Borah Prakashan,Tarun Nagar Mukhya Path,Dispur,Guwahati.
*Development of Educational Theory and Practice - R.N.Safaya and B.D. Shaida, Dhanpat Rai and Sons.

# बिकाली फरायसालीमानि बर' थुनलाइ आफादनि गोनांथि

थरायना चिमाग्री दैमारी

सा साज्राङै नायनो थाङोब्ला नुनो मोन्नाय जायोदि बर' राव थुनलाइया दा गुबुन गुबुन एबा थुनलाइनि मोनफ्रोमबो बाहागोआव गुबुन ओनसोलआरि राव (Regional language) फोरनिख्रुइ जोबोरैनो आवगाय लांदों । बे बाथ्राया बेनो दि खालि माखासे बासिजानाय जायगानि मानसिफ्राल थुनलाइनि जौगानायाव मोजाङै भान्दारी होदों । दिनैनिफ्राय 90 बोसोर सिगां बर' रावा खालि नआव गावनि सान्नाय हनायखौ फौरमायनायावल मोनसे बिजों महरै बाहाय जादोंमोन । बे समाव हयथ रावबो खनसेबो सानफेराखैमोन बर' थुनलाइया दानि महर मोनफैगोन होननानै । गावनि सान्नाय हनायखौ लिरनानै फोरमायनो थाखाय बर'फोरा गुबुन गुबुन राव जेरै असमीया, बांला आरो इंराजी रावफोरजों लिरोमोन । नाथाय माखासे सानसुमै फरायसाफोरा गुबुन हारिनि थुनलाइ जेरै असमीया, बांला रावनि थुनलाइफोरखौ नुनानै थुलुंगा मोनखांनानै 1919 मायथाइयाव बर' सात्र सन्मिलनी दादोंमोन ।जायनि नाजानायाव बर'नि गिबि लाइसि, सोरजि थुनलाइ बिबारनि जोनोमा जादोंमोन । जेराव थाखा फैसानि आंखालाव 15 निफ्राय 21/22 निफ्राय बैसोनि फरायसाफ्रा आखायजों लिरनानै लाइसिफोरखौ फोसावदोंमोन। जायनि जाहोनाव दिनै इसे गाबोन इसे खालामनानै खालि थुनलायावल, नडा बर' रावखौ फरायसालिनि बिजों हिसावैबो जों फरायनो मोनबाय ।

जोंनि आजै आजैमोना खालामलांनाय आबादनि फसलखौ जों जेबो मावालासैनो सुखु गोजोनै जाफैनो मोनबाय। जेराव जोंनि आजै आजौमोना गावनि बिखानि थैखौ गावसोरनि उनजोलैनि मोजांनि थाखाय बावलांबाय। नाथाय आजै आजौमोना गोबाङै मावलांबाय होननानै जों जे, लासैनो गावनि मावनो गोनांखौ मावनो बावबाय। बर' थुनलाइनि जोनोम जारिमिनखौ बुरखांनानै नायोब्ला जों नुनो मोनो दि बर' नि गिबि बिजाबा ओंखारदोंमोन 1915 माइथायाव ग'वालपारा जिल्लायाव। बे बिजाबा जादों ' बर' नि फिसा अ आईन ' जायनि सुजुगिरिया जादों गंगासरण बर' । बिथांनि न'आ जादों ग'वालपारा जिलानि सानजाहा धुपधरानि क'थाकुठि होननाय मोनसे फिसा जायगायाव ।

गुबुन गुबुन जायगाफोरखौ नायोब्ला नुनो मोनो दि जोंनि ग'वालपारा जिलायाव

खुब खम बिसाननि मानसियासो थुनलाइ सोरजिनायाव नांथावनानै थायो। जायफोरखौ आसि थायवाजोंनो सानजोवोनो हायो। गाहायै नुनो मोनो दि मोनसे उपजुक्ट Plateform मोनावोला मानसिनि सिडाव हावसननानै एवा उन्दुहावनानै थानाय प्रतिभाफोरा सिडाव ओंखारवोनो मोना। बिकाली कलेजनि बर' थुनलाइ आफादा कलेजनि बिबुंगिरि माखासे फरायसा आरो खाथि खालानि गियान गोनां सानसुमैफोरनि नाजानायाव 1996 माइथायाव जोनोम मोनदोंमोन। बेनि गाहाइ थांखिया जादोंमोन फरायसाफोरनि थुनलाइगिरि गोसोफोरनि सिनायथि खालामनाय। जायनि थाखाय बोसोरफ्रोमबो गुवुन गुवुन समाव इन्जुर लाइसि दिहुननायनि अनगायैवो आगर मुंनि लाइसिखोवो गेजेर गेजेर साफायनाय जायो। बेनि अनगायैबो फरायसाफोरनि मुलाम्फानि थाखाय वोसोरनैनि गेजेराव खनसेयै सावराय मेल (Seminer) खुंनाय जायो जेराव मुलुगसुलुंसालिखौ लोगोआव लाफानानै गुबुन गुवुन फरायसालिमानिफ्राय बिबुंगिरि, थुनलाइगिरिफोर लानानै गुवुन गुवुन आयदानि सायाव सावरायनाय जायो। बर' थुनलाइ आफादा खालि थुनलाइ ल' नडा मोसानाय दामनाय देनायनि फार्सेबो नोजोर होनाय नुनो मोनो। फरायसाफोरा जाहाथे मोजाङै आवगायलांनो हायो बेनि थाखाय बिबुंगिरिफोरजों लोगोसे खाथि-खालानि माखासे सानसुमै मानसिफोरावो गोनाङै हेफाजाब होबोदों। नाथाय दुखु नांथाव बाथ्रा वेनो दि बर' बिजोंनि फरायसानि अनगा साफा-सानै असमीया बिजोंनि गथ'नि अनगा गोबां गथ'आनो बे आफादनि अदिसखोनो मिन्थिया।

दा एसे मोजाङै जुदि जों नायबायो अब्ला नुनो मोनो दि फोरोगिरिफोरनि बाहेरा गुबुन profession नि मानसिफोरखौ जोंनि जायगायाव थुनलाइ सोरजिनायखौ जों बारा नुनो मोना। गोबाडानो बाध्यआव गोलैनानैसो लिरनायखौ नुनो मोनो। बिसम्बि, खुगा लाइसिफोरनि अनगा गुबुन गुबुन थुनलाइनि बाहागो जेरै थुनफावथाय आरो सलमाफोर लिरनायाव सोरबाफोर नांथाबना दं होननानैबो बुंनो हाथावआ। हयथबा जोंनि ओनसोलाव थुनलाइनि बे बाइदि दुखु नांथाव अबस्थाखौ नुनानैनो बे समनि फरायसा आरो बिबुंगिरिफोरा सानै-हयै बिकाली कलेज Bodo literary society खौ 1996 माइथायाव जोनोम होदोंमोन। जाहाथे फरायसा समनिफ्रायनो बिसोरनि सर्साया लिरनायनि फार्से जायो आरो जिउनि उन समहा लागै जाय जिखि जिउ लामाखौनो लाया मानो उनावहालागै जाहाथे थुनलाइखौ फुजिनो हायो। बर' बिमानि लोगोसे गावनि ओनसोलनि थुनलाइनि बाखिखौबो फोजों होनो हायो। सिगां जोलैनि बेबायदि गोजों साननाया जाहाथे जाफुंडो बेनि थाखाय बयबो फरायसाया बेनि फार्से अनसायनाय थानांगोन। ☐

# গল্প

## ভোগালী

সুৰভী ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ

গোটেই গাঁৱখনতে আজি কেইদিনমান আগৰ পৰা উখল-মাখল লাগিছে। ভোগৰ উৎসৱ ভোগালী বিহুৰ আয়োজন সকলো ফালে। মাঘ বিহু বুলি কেইদিনমানৰ পৰা ঢেকী-উৰালৰ শব্দ। চিৰা খুন্দাৰ পৰা পিঠাগুৰি খুন্দালৈ। সেয়ে জীয়ৰী-বোৱাৰীসকলৰ কামৰ ব্যস্ততা বাঢ়িছে।

মাঘ বিহুৰ উৰুকাৰ আগদিনা চহৰৰ পৰা গাঁৱলৈ আহি পালেহি নিয়ৰ। নিয়ৰৰ মাক পিঠা বনোৱাত ব্যস্ত। মাকৰ কাষতে বহি সি পিঠা খোৱাত লাগিল। ভনীয়েকে তালৈ চাহ একাপ আনি দিলে। চাহকাপ হাতত লৈ সি ক'লে -"ভণ্টী, তয়ো মাক সহায় কৰি নিদিয় কিয় ? মাৰ অকলে কষ্ট নহয় জানো ?" ভনীয়েকে হাঁহি হাঁহি কলে- "মাৰ যদি কষ্ট হয় বুলি জানই তেনেহলে মাক এজনী বোৱাৰী আনি নিদিয় কিয় ?" "ভণ্টী, তই মাৰ খাবি এতিয়া" সি বহাৰ পৰা উঠি গ'ল । মাকে ক'লে- "বাৰু কাজিয়াখন এৰ এতিয়া । ভাত-পানী খাই জিৰাই লবি যা।" " মা, দাদানো কিয় জিৰাব লাগে ? সেইফালে এপাক মাৰিব লাগিব নহয়।" জোকাই ভনীয়েকে ভিতৰলৈ গ'ল। তাইৰ পিছে পিছে নিয়ৰ আৰু মাকেও ভিতৰ পালেহি। নিয়ৰে ভনীয়েকক জোকোৱাৰ চলেৰে ক'ল- " মা, এইজনীক ল'ৰা এজন চাই বিয়া দি দিয়া।" তাই কলে- " উহ, এতিয়াই বিয়া হৈ যাবলৈ মোৰ আৰু কাম নাই। " "ছোৱালী হেনো কুৰিতেই বুঢ়ী" বুলি কৈ সি হাঁহিলে । তাই কলে- " হ'ব মোক ক'ব নালাগে। তোৰ জনী দেখোন কুৰি পাৰ কৰিলেই।" মাকে আচৰিত হৈ সুধিলে- " মাজনী, তই কাৰ কথা ক'ব খুজিছ ?" তাই কলে- " কিয় মা ? সেউতীবাৰ কথা আক' ।" সি এইবাৰ একো নোকোৱাকৈ বহি থাকিল। মাকে হাঁহো হাঁহোকৈ সুধিলে- "নিয়ৰ, কি শুনিছো এইবোৰ ?" নিয়ৰে মাত লগালে- "আচলতে মা, মোৰ লগৰবোৰে মোক সেউতীৰ লগত জোকায়। আৰু মা, তাইক মই ভালপাও।" মাকে ক'লে- "বৰ ভাল ছোৱালী তাই। কেতিয়াবা দেউতাৰাৰ লগত আলোচনা নকৰা নহয় তোমালোকৰ বিয়াৰ কথা। তোমাৰ দেউতাৰাৰো সপোন এটা আছে- সেউতীক এইখন ঘৰৰ বোৱাৰী কৰি অনাৰ।" নিয়ৰৰ মনটো ভাল লাগিল।

জিৰাই-শতাই নিয়ৰ আবেলি সেউতীহঁতৰ ঘৰলৈ যাবলৈ ওলাল। গাঁৱৰ একেবাৰে শেষত সেউতীহঁতৰ ঘৰ। গাঁৱখনৰ মাজেৰে সি খোজ ল'লে। যাওঁতে যাওঁতে তাৰ মনত পৰিল সৰু কালৰ কথাবোৰ। লগৰবোৰৰ লগত খেলা, স্কুললৈ যোৱা, সেউতীৰ লগত তাক জোকোৱা, জোৰ দিয়া আৰু

বহুত কিব-কিবি। এদিন সিহঁত স্কুলৰ পৰা আহোতে সেউতী বোকা মাটিত পিছলি পৰাত নিয়ৰে হাতত ধৰি তুলিছিল। তেতিয়া লগৰবোৰে সিহঁতক জোকাইছিল। কথাবোৰ ভাবিলে তাৰ আজিও খুব ভাল লাগে। হয়তো তেতিয়াৰ পৰা সি তাইক ভাল পায়। অথচ ইমান সৰুৰেপৰা ভালপাই অহা ছোৱালীজনীকে সি মনৰ কথা খুলি ক'ব পৰা নাই। কেনেবাকৈ মন বান্ধি আজি বাৰু নিজৰ মাকৰ আগত কথাটো ক'লে। যদি সেউতীয়ে আন কাৰোবাক কথা দি থৈছে, তেতিয়া ... ? ভাবি ভাবি সি সেউতীহঁতৰ ঘৰ পালে।

আহি পায়েই নিয়ৰে সেউতীৰ মাকক সেৱা কৰিলে। আৰু সুধিলে- "খুড়ী, আপোনালোকৰ ভালনে?" 'অ বোপা, ভগৱানৰ কৃপাত আমি ভালে আছো।' সি পুনৰ মাত লগালে- " আজি পুৱাতে আহি পালোহি। খুড়ী, সেউতী ক'ত?" সেউতীৰ মাকে ক'লে- "ভিতৰত আছে। তুমিও ভিতৰতে বহাগৈ যোৱা।" নিয়ৰ পোনে পোনে সেউতীৰ কোঠা পালেহি। তাক অহা দেখি সেউতীয়ে বহিবলৈ দি সুধিলে- " কেতিয়া আহিলা নিয়ৰদা ? খবৰ নিদিয়াকৈ আমাৰ ঘৰ পালাহিযে ?" সি একো নকৈ বহি থাকিল। তাই পুনৰ সুধিলে- " কি হৈছে তোমাৰ ? একো এটা নকোৱা যে ?" তথাপিও সি মনে মনে বহি থাকিল। "বুজিছো, চহৰলৈ গ'লে সকলো মানুহেই এনেকুৱাই হয়। লাহে লাহে গাঁৱৰ মানুহবোৰক ভাল নলগা হয়। আমাক কোনে মাতে, আমি সাধাৰণ গাঁৱলীয়া ছোৱালীহে।" তাইৰ থোক-থুকি মাত। তাই বাহিৰলৈ যাব খোজাত সি তাইৰ হাতত ধৰি ৰাখিলে। "আকৰি, মই তোমাক বেয়া পোৱা নাই নহয়। চাওঁ অকণমান হাঁহি দিয়া।" সিহঁত দুয়ো বহুত সময় কথা পাতিলে। যাবলৈ ওলাই নিয়ৰে ক'লে "কাইলৈ উৰুকাৰ ভোজলৈ আহিবা।" তাই মূৰ দপিয়ালে।

উৰুকাৰ দিনা আবেলি নিয়ৰ আৰু গাঁৱৰ ল'ৰাবোৰে বনৰ পৰা বাঁহ আৰু পথাৰৰ পৰা নৰা কাটি আনি মেজি সাজিলে। নিশা ভোগালীৰ ভোজ-ভাত খাই স্ফুৰ্তি কৰিলে। সিহঁতে কিন্তু আনৰ ঘৰৰ জেওঁৰা-জোপনা, হাঁহ-কুকুৰা আদি চোৰ কৰা পৰম্পৰাটো এৰিলে।

আজি গৰু বিহু। পুৱাই উঠি গা ধুই সকলোৰে সেৱা কৰি মেজি জ্বলালে। মেজি জ্বলাই আহি নিয়ৰে মাক-দেউতাকক সেৱা কৰিলে। তাৰ পিছত সেউতীহঁতৰ ঘৰলৈ গল। গৈয়ে নিয়ৰে সেউতীৰ মাকক সেৱা কৰি আশীৰ্বাদ ল'লে। সেউতীয়ে তাৰ ভৰি চুই সেৱা কৰিব খোজোতে সি তাইক দুবাহুত ধৰি উঠালে। তাই তাক পিঠা-পনা খাবলৈ দি কাষতে থিয় হৈ ৰল। সি ঘৰৰ পৰা মাকে বান্ধি দিয়া টোপোলাটো উলিয়াই কলে- "খুড়ী, এয়া কেইটামান পিঠা-পনা আপোনালোকলৈ বুলি মায়ে দি পঠিয়াইছে। সেউতীৰ মাকে কলে- "তোমাৰ মাৰ কাম নাই আৰু। কিবা এটা উৎসৱ-পাৰ্বন হ'লে এটোপোলা বস্তু দি পঠিয়াব। দুখীয়া হলো বুলি নাখাই মৰা নাই নহয়।" নিয়ৰে কলে- "খুড়ী, আপোনালোক ধনৰ দুখীয়া হ'ব পাৰে, সেইবুলি মনৰো দুখীয়ানে ? খুড়ী, আপুনি মোক এবাৰোলৈও নিজৰ ল'ৰা বুলি ভাবিব নোৱাৰেনে ? " সি ওলাই অহা কান্দোনখিনি ৰাখিব নোৱাৰিলে। সেউতীৰ মাকে কলে " হ'ব বাৰু নিয়ৰ, মইতো তোমাক সদায় নিজৰ ল'ৰা বুলিয়েই ভাবি আহিছো। আৰু নিজৰ ল'ৰা বুলিয়েই এটা কথা ক'ব খুজিছো। কথাটো হ'ল- "সেউতীক এঘৰ মানুহ বিহুৰ পিছতেই চাবলৈ আহিব খুজিছে। মই কি কৰো ? " সি কলে- "মইনো কি কম খুড়ী । পিছে ময়ো এটা কথা কম বুলি আজি বৰ আশাৰে আহিছিলো। মোৰটো থাকক। খুড়ী, আগতে তাইৰ মতামত ল'ব লাগিব। তাই ফেকুৰী ফেকুৰী ক'লে- " মই বিয়া হৈ গলে মাৰ কি

হ'ব ? মাক অকলে এৰি মই কেনেকৈ বিয়া হৈ যাওঁ ?" সি কলে- "মই আছো নহয়।" তাই পুনৰ কলে- "তুমি বিয়া নপতালৈকেহে মাক চাবা। পিছত যদি ... ?" সি এইবাৰ ওলাই অহা কান্দোন ৰাখিব নোৱাৰিলে। আৰু ক'লে- "মই সৰুৰে পৰা ভালপাই অহা ছোৱালীজনীয়ে যদি আনৰ ঘৰৰ বোৱাৰী হৈ যায়, তেন্তে মই আনক বিয়া পাতি কেনেকৈ সুখত থাকিম ?" সেউতীৰ মাকে নিয়ৰক সুধিলে- " নিয়ৰ, তুমি এইবোৰ কি ক'ব খুজিছা ? মই একো বুজা নাই।" সি ক'লে- "খুড়ী মই সেউতীক ভালপাওঁ। মই তাইক বিয়া কৰাব বিচাৰো। মা-দেউতায়েও তাইক আমাৰ ঘৰৰ বোৱাৰী কৰি নিব বিচাৰে।" সেউতীৰ মাকে ক'লে - "এয়া কেনেকৈ সম্ভৱ ? বাওঁনাই চন্দ্ৰলৈ হাত মেলাটো জানো উচিত ?" সি কলে- " মই সেইবোৰ একো নাজানো; মাথো সেউতীক বিচাৰো।" তাইৰ মাকে পুনৰ ক'লে- "সেউতীৰ মত ল'ব লাগিব।" তাইৰ মাকৰ কথাবোৰ শুনি তাৰ বুকুখন কপি উঠিল। তাই যদি মত নিদিয়ে। সি তাতে তাইক এইবোৰ কথা এবাৰো কোৱা নাই। সেউতীয়ে লাজুকীয়া চাওঁনীৰে হাঁহি মাৰি ভিতৰলৈ সোমাই গ'ল। তাৰ মনটো ভাল লাগিল। সি কলে- "খুড়ী , মই তাইৰ উত্তৰ পাই গলো। মোক আৰু একো নালাগে। মই আজিয়েই এই সু-খবৰটো মা-দেউতা আৰু ভণ্টীক জনাম গৈ। পাৰিলে এই ভোগালীতেই তাইক আঙুঠি পিন্ধাবলৈ মা-দেউতাৰ লগত আহিমহি ।" ◻

---

*যিসকলে নিজৰ মোল আৰু লক্ষ্য স্থিৰ ৰাখি কৰ্তব্যৰ পথত নীৰৱে আগবাঢ়ে তেওঁলোকেই সমাজৰ আৰু জগতৰ ভৱিষ্যত আশাৰ থল।*

*-ড° বাণীকান্ত কাকতি*

# জীৱনৰ বিচিত্ৰ ছবি

পূৰবী সৰকাৰ
স্নাতক ১ম বৰ্ষ

....... ৰুমাই চলি থকা গাড়ী এখনৰ গতিবেগৰ দৰে গতিশীল জীৱনটোত উপভোগ কৰিবলৈ শিকিলে- সুখ, দুখৰ প্ৰতিটো ক্ষণ। ৰুমা ঘৰখনৰ জ্বলি থকা এগচি প্ৰদীপৰ দৰে। দেউতাকৰ একমাত্ৰ মৰমৰ জীয়ৰী ৰুমা। জন্মৰ পিছতে তাই মাকক হেৰুৱালে। ৰুমাই মাকৰ মুখখনকে দেখা নাপালে। দেউতাকৰ আপোন বুলি কবলৈ আন কোনো নাই। ৰুমাৰ দেউতাকে নিজে পছন্দ কৰি বিয়া কৰোৱাৰ কাৰণে আইতাকে তেওঁক ভালপোৱা নাছিল। ৰুমাৰ মাক সাবিত্ৰীৰ ঘৰৰ অৱস্থা ভাল নাছিল বাবে যৌতুকত একো দিব নোৱাৰিলে। সাবিত্ৰী বৰ মৰমিয়াল আছিল। মৰমৰ ভাষাৰে, ব্যৱহাৰেৰে সকলোকে মৰম দিব বিচাৰিছিল, কিন্তু কাৰো পৰা তাই মৰম পোৱা নাছিল। ঘৰৰ অৱস্থা ভাল নাছিল কাৰণে শাহুয়েকে আনকি সাবিত্ৰীক মাকৰ ঘৰলৈও যাব দিয়া নাছিল। ৰুমাৰ দেউতা বসন্ত বৰুৱা সৰু থাকোতে ককাদেউতাক ঢুকাইছিল। জ্যেষ্ঠ পুত্ৰ হোৱা সত্বেও পিতৃহীন বসন্ত বৰুৱাই মাকৰ মৰমৰ পৰা বঞ্চিত হৈছিল- বঞ্চিত হৈছিল ডাঙৰ বোৱাৰী সাবিত্ৰী বৰুৱা।

ৰুমাৰ খুড়ীয়েক ভানু শইকীয়াক আইতাকে বেছি মৰম কৰিছিল। কাৰণ তাই আছিল ধনী ঘৰৰ ছোৱালী। যৌতুকত বহু ধৰণৰ বস্তু লৈ আহিছিল। সেইবাবে আইতাকৰ দৃষ্টিত তাই আছিল ঘৰৰ লখিমী আৰু সাবিত্ৰী আছিল কু-লখিনী। খুড়ীয়েকেও ৰুমাৰ মাকক দেখিব নোৱাৰিছিল। নীচ ঘৰৰ ছোৱালী বুলি অপমান কৰিছিল। খুড়াকে ঘৈণীয়েকৰ কথাক প্ৰতিবাদ কৰা নাছিল। সি আছিল অকৰ্মা । জুৱা খেলি সৰ্বস্বান্ত হোৱা নৃপেন বৰুৱাই ঘৈণীয়েকৰ সোণখিনিও বিক্ৰী কৰিবলৈ ওলাই ছিল। তথাপিও ৰুমাৰ আইতাকৰ কাৰণে নৃপেন আছিল অতি মৰমৰ পুত্ৰ। ৰুমাৰ দেউতাকে ভায়েকৰ কাম-কাজত বাধা দিছিল বাবে ককায়েকৰ লগত সদায় কাজিয়া কৰিছিল।

বসন্ত বৰুৱাই এখন দোকান দি বৰ কষ্টেৰে কোনোৰকম সংসাৰ চলাইছিল। তথাপিও বসন্ত বৰুৱাই কাৰোপৰা ভাল এষাৰ মাত শুনিব নাপালে। এই কথা সহ্য কৰিব নোৱাৰি বসন্ত বৰুৱাই ঘৈণীয়েকক লৈ ঘৰৰ পৰা ওলাই গৈ ঘৰ ভাড়া কৰি থাকিবলৈ ললে। ঘৰ ভাড়াত থাকি তেওলোকৰ সুখৰ সংসাৰখন সঁজাবলৈ ললে। ব্যৱসায় কৰি পোৱা জমাৰ টকাৰে মাটি এডৰা কিনিলে। লাহে লাহে ঘৰ বনালে। তেওঁলোকৰ মৰমৰ সুখৰ সংসাৰখনত নতুন অতিথি আহিল। ৰুমাৰ জন্ম হ'ল, কিন্তু সাবিত্ৰীয়ে ৰুমাক কোলাত তুলি ডাঙৰ -দীঘল কৰিব নোৱাৰিলে। ৰুমাৰ জন্মৰ পিছতে টান নৰিয়াত পৰি সাবিত্ৰীৰ মৃত্যু হ'ল। দেউতাকে ৰুমাক বুকুৰ মাজত লৈয়ে ডাঙৰ দীঘল

কৰিবলৈ ধৰিলে। তেওঁ জীৱনত হাৰি যাব খোজা নাছিল। তাইক দেখিয়ে দেউতাকে নতুন জীৱন আৰম্ভ কৰিলে। ৰুমাই কষ্ট পাব বুলি দেউতাকে দ্বিতীয় বিবাহ নকৰিলে। মৰমৰ মাজেৰে ৰুমাক ডাঙৰ-দীঘল কৰিবলৈ ধৰিলে। ৰুমাক স্কুলত নাম লগাই দিলে। চাই থাকোতে থাকোতে ৰুমাই যৌৱনত ভৰি দিলে। ঘৰৰ প্ৰতিটো কাম এতিয়া তাই নিজে কৰিব পৰা হ'ল। মাজে মাজে মাকৰ কথা তাইৰ মনত পৰে যদিও দেউতাকৰ মৰমে সেইবিলাক পাহৰাই পেলায়। এতিয়া তাইৰ এটাই আশা কিদৰে তাই মাকৰ আশাবোৰ পূৰণ কৰিব পাৰে।

এইদৰে ৰুমাই দেউতাকৰ মৰম চেনেহৰ মাজত দিন নিয়াবলৈ ধৰিলে। এদিন হঠাৎ ৰুমাৰ দেউতাকে খবৰ পালে যে সৰু ভায়েকে জুৱা খেলি সকলো সা-সম্পত্তি বিক্ৰী কৰিছে, এতিয়া তেওঁলোকৰ সম্বল কেৱল মাত্ৰ ঘৰটোৱে। সেইটোও বিক্ৰী কৰিবলৈ ওলাইছে। ৰুমাই কথাটো গম পায় দেউতাকক ঘৰটো উদ্ধাৰ কৰিবলৈ অনুৰোধ কৰিলে। স্বভাৱত ৰুমাও মাকৰ নিচিনা মৰমিয়াল আছিল। সেইবাবে ৰুমাৰ দেউতাকে কেতিয়াবা তাইক কয়- 'তোমাৰ মা নাই যদিও মাৰাৰ অন্তৰখন তুমি লাভ কৰিছা।' তেতিয়া দেউতাকে ঘৰটো বিক্ৰি হোৱাৰ পৰা ৰক্ষা কৰিলে।

জুৱা খেলি, মদ খাই সম্পত্তি বিক্ৰী কৰি সৰ্বস্বান্ত হোৱা ৰুমাৰ খুড়াক নৃপেন বৰুৱাৰ নৈতিক চৰিত্ৰ ক্ৰমে বেয়ালৈ ঢাল খালে। সি ঘৈণীয়েকৰ লগতে মাককো নানা দুৰ্ব্যৱহাৰ আৰু নিৰ্যাতন কৰিবলৈ ধৰিলে। এই কথাত মাকে মনত বৰ দুখ পালে। এতিয়াহে ৰুমাৰ আইতাকে উপলব্ধি কৰিলে প্ৰকৃত পুত্ৰৰ মৰম চেনেহ আৰু ভালপোৱা। সেইবাবে আইতাকে জ্যেষ্ঠ পুত্ৰৰ ঘৰলৈ গুচি আহিল। ৰুমাই আইতাকক দেখি বহুত সুখী হ'ল। দৌৰি গৈ আইতাকৰ ভৰি চুই সেৱা কৰিলে। আইতাকে মৰমৰ নাতিনীয়েকক বুকুৰ মাজত সাৱটি ললে আৰু মাকৰ ফটোখন চাই ক্ষমা খুজিলে। আইতাকে মৰমৰ নাতিনীয়েক আৰু পুতেকৰ লগত জীৱন কটাবলৈ ধৰিলে। হঠাৎ আইতাকৰ এদিন জ্বৰ হ'ল। দেউতাকে বহুত চিকিৎসা কৰিলে। ডাক্তৰৰ চিকিৎসা বিফল হ'ল। আইতাকৰ মৃত্যু হয়। ৰুমাই বহুত কান্দিলে। তাই অকলশৰীয়া হৈ পৰিল। আইতাক ঢুকৱাৰ পিছতে তাইৰ মেট্ৰিকৰ ফলাফল ওলাল। তাই প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ইতিমধ্যে তাই কলেজীয়া জীৱন আৰম্ভ কৰিলে।

মাকৰ মৃত্যুৰ খবৰ পাই সৰু পুত্ৰ নৃপেন বৰুৱাই পত্নী আৰু একমাত্ৰ জীয়ৰী টিনাক লগত লৈ ককায়েকৰ ঘৰত উপস্থিত হ'ল। ৰুমা, টিনা অহাৰ কাৰণে অত্যন্ত সুখী। টিনাৰ লগত তাই সুখ-দুখৰ কথা পাতে। আইতাকৰো আদ্যশ্ৰাদ্ধ শেষ হয়। খুড়ীয়েকজনীও পূৰ্বৱতকৈ বহুত সলনি হ'ল। খুড়ীয়েকে তাইক বৰ আপোন চকুৰে চাবলৈ আৰম্ভ কৰিলে। ৰুমাক কাম কৰিবলৈ বাধা দিলে। খুড়ীয়েকে ৰুমাৰ প্ৰতি কৰা এই আচৰণৰ মাজত এটি অসৎ উদ্দেশ্য পুহি ৰাখিছিল। আৰু সেই উদ্দেশ্য সফল কৰাৰ বাবেহে সেইখন ঘৰলৈ আহিছিল। খুড়ায়েকেজনকো ঘৈণীয়েকে বুদ্ধি দি সকলো কথা শিকাই আৰু সেইমতে খুড়ায়েকে ৰুমাহঁতৰ ঘৰৰ পৰা নাযাও বুলি দাদাকৰ ভৰিত ধৰি তেওঁৰ কামত সহায় কৰি দিব বুলি আৰু ৰুমাক নিজৰ ছোৱালী হিচাপে মৰম কৰিবলৈ সুযোগ বিচাৰি দাদাকৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে। কিন্তু ৰুমাৰ দেউতাকে ভায়েকক কেতিয়াও বিশ্বাস নকৰে। সহজ প্ৰকৃতিৰ ৰমা এইবোৰ দেখি সহ্য কৰিব নোৱাৰিলে আৰু দেউতাকক কাকুতি কৰিব ধৰিলে যাতে তেওঁলোকক থাকিবলৈ দিয়া হয়। দেউতাকে ৰুমাৰ মুখখনলৈ চাই দুখ পালে আৰু তেওঁলোকক থাকিবলৈ দিলে।

সকলো সময়তে অসৎ প্ৰবৃতিৰ দ্বাৰা পৰিচালিত ৰুমাৰ খুড়ীয়েক জুনু শইকীয়াই ৰুমা হঁতৰ সা-সম্পত্তিৰ ওপৰত চকু দিবলৈ ধৰিলে। ঘৰ ভাড়া, দোকানৰ উপাৰ্জন ইত্যাদিবোৰলৈ লক্ষ্য কৰি চলে বলে সেইবোৰ হস্তান্তৰ কৰিবলৈ তাই সততে অসৎ চিন্তা কৰিবলৈ ধৰিলে। এই উদ্দেশ্যে ৰুমাৰ দেউতাকক দেখুৱাই তাইক হিয়া উজাৰি মৰম কৰাৰ ভাও ধৰিলে। ৰুমালৈ তাইৰ অপাৰ মৰম ! ৰুমাই খুড়ীয়েকৰ আচৰণৰ বিষয়ে নভবাও নহয়। ৰুমাই ভাবে খুড়ীয়েকৰ মাজে মাজে কি হয় ? ৰুমাই কলেজ পালে আৰু টিনাও ক্লাছ নাইন পালে। জীৱনৰ প্ৰতিটো সময় পাৰ কৰি ৰুমাৰ দেউতাকে ৰুমাক বিয়া দিবলৈ সিদ্ধান্ত কৰিলে। কিয় নাজানো দেউতাকে ৰুমা সৰু থাকোতে বিয়াৰ কথা ভাবিছিল। দেউতাকৰ এবাৰ হঠাৎ জ্বৰ হ'ল। ৰুমা কান্দি কান্দি ৰাতি দেউতাকৰ চিন্তাত টোপনি নহা হ'ল। তাই সন্মুখৰ ভৱিষ্যতৰ কথা ভাবি ভাবি হতাশ হৈ পৰিছিল। তাই ভাবিছিল দেউতাকৰ অবৰ্তমানত হয়তো তাই বহুত হেৰুৱাব লাগিব। সেইবাবে দেউতাকক আৰোগ্য কৰিবলৈ তাই বহুত ত্যাগ কৰিব লগা হ'ল। তাই দেউতাকক বহুত যত্ন কৰি স্বাভাৱিক অৱস্থালৈ আনিলে। বৰ্তমান দেউতাক সুস্থ।

এইদৰে দিন বাগৰিবলৈ ধৰিলে। ৰুমাৰ দেউতাকে অসৎ ভাতৃ আৰু বোৱাৰীৰ সম্পত্তি লিপ্সাৰ কথা গম পাই ৰুমাৰ নামত সম্পত্তি সমূহ লিখি দিলে। এদিন ৰুমাৰ দেউতাক বাহিৰলৈ ওলাই গৈছিল আৰু হঠাৎ মূৰ ঘূৰাই প্ৰেচাৰ বেছি হৈ মাটিত বাগৰি পৰিল। তেওঁক আৰোগ্য কৰিবলৈ অশেষ কষ্ট কৰা হৈছিল যদিও সেয়া কামত নাহিল। সকলোকে কন্দুৱাই তেওঁ ইহ সংসাৰৰ পৰা বিদায় ললে। দেউতাকৰ মৃত্যুয়ে যেন ৰুমাৰ জীৱনৰ সকলো আশা চূৰমাৰ কৰি পেলালে। তাই এতিয়া অসহায়, অকলশৰীয়া। দেউতাকৰ মৃত্যুয়ে যেন অসৎ খুড়াক-খুড়ীয়েকক আশাৰ বতৰা আনি দিলে। তেওঁলোকৰ এতিয়া আনন্দৰ সীমা নাই। - ককায়েকৰ সমষ্ট সম্পত্তিৰ অধিকাৰী এতিয়া তেওঁলোক। খুড়াক-খুড়ীয়েকে ৰুমাক নানা ধৰণৰ দেহ-মানসিক যাতনা দিবলৈ ধৰিলে। তাইক লগুৱাৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। ঘৰৰ সমস্ত কাম তাইৰ দ্বাৰাই কৰাবলৈ ধৰিলে। আনকি টিনাকো তাইক লগ কৰাৰ পৰা বিৰত কৰিলে। ৰুমা হৈ পৰিল দুখ যন্ত্ৰনাৰে সৰ্বস্বান্ত আৰু নিসংগ। ইফালে খুড়ীয়েকৰ মনত ৰঙীণ সপোন। - অসৎ উপায়েৰে লাভ কৰা সম্পত্তিৰে কি কি বিলাসী সামগ্ৰী কিনিব, টিনাৰ বিয়াত কিমান খৰছ কৰিব আৰু যে কত সপোন! ৰুমাৰ কথা ভাবিবলৈ তেওঁলোকৰ এতিয়া আহৰি নাই। দেউতাকৰ মৃত্যু হোৱাৰ পিছত ৰুমাৰ জীৱনলৈ ধুমুহা আহিল। তাই নিজকে ৰক্ষা কৰিব নোৱাৰা হৈছে। খুড়ীয়েকে কলেজলৈ যোৱা বন্ধ কৰি দিলে। ঘৰৰ সকলো কাম তাইৰ হাতেৰে কৰালে। ৰুমা কাৰো ওপৰত প্ৰতিবাদ নকৰিলে। ঈশ্বৰৰ প্ৰতি থকা বিশ্বাসক লৈ তাই জীৱনৰ প্ৰত্যাহ্বান সমূহ হাঁহি মুখে গ্ৰহণ কৰিলে।

.........টিনাই জীৱনত কাৰোৱক বিচাৰি পালে। সুযোগ লৈ টিনাই ৰুমাক সকলো কথা কলে। টিনাই ৰাজীৱ নামৰ ল'ৰা এজনক ভালপায়। ৰুমাই ৰাজীৱৰ বিষয়ে ইমান নাজানে, কিন্তু ৰাজীৱ যে ভাল ল'ৰা সেয়া জানে। ৰুমাই ইমান কম বয়সতে তাইক এইবোৰত সোমাব বাধা দিলে। কাৰণ খুড়াক-খুড়ীয়েক বহুত বেলেগ ধৰণৰ। তাৰ উপৰি তাই মেট্ৰিক পৰীক্ষা দিব। ৰুমাই কেতিয়াবা নিজৰ জীৱনৰ কথাও ভাবে- কিয় বাৰু কোনেও তাইৰ কাষ নাচাপে, কিয় বাৰু তাই কাৰো যোগ্য নহয়, কিয় বাৰু কোনেও তাইক বুজিবলৈ চেষ্টা নকৰে। এই কথা ভাবি কেতিয়াবা তাই হতাশ হৈ পৰে। ৰুমাই জীৱনত কাকো ভাল পাই নাপালে। কিন্তু তাই যেতিয়া অকলশৰীয়া হয়, জীৱনৰ লগৰীজনৰ কথা ভাবে-

কেনেকুৱা হ'ব তেওঁ, তাইক বহুত মৰম কৰিব পৰা! কিন্তু বিধাতাই হয়তো তাইৰ কপালত কিবা বেলেগহে লিখি থলে।

খুড়ীয়েকে ৰুমাৰ কাৰণে ল'ৰা চাবলৈ ধৰিলে। কাৰণ ৰুমা গুচি গলে ৰুমাৰ নামত থকা সা-সম্পত্তি ভালদৰে উপভোগ কৰিব পাৰিব। জীয়ৰীজনীক ভালদৰে বিয়া দিব পাৰিব। খুড়ীয়েকে ৰুমাৰ কাৰণে ল'ৰা ঠিক কৰিলে। কিন্তু সেয়া বিয়া নাছিল, এখন চুক্তিপত্ৰহে। চুক্তি আছিল ল'ৰাজনৰ মাকৰ লগত। বহুত ধনীঘৰৰ ল'ৰা। পাঁচ লাখ টকা দি খুড়ীয়েকৰ পৰা ৰুমাক এবছৰৰ কাৰণে কিনি ললে। ৰুমাই নাজানে কোনো চুক্তিৰ কথা, কিন্তু টিনাই জানিয়ো একো কৰিব নোৱাৰিলে। কাৰণ এই কথা প্ৰকাশ কৰিবলৈ টিনাক মাকে বাধা দি থৈছে। ৰুমাই ল'ৰাজনৰ বিষয়ে একো নাজানে। সি আছিল মানসিক ভাৱে বিকাৰ গ্ৰস্ত। সেয়েহে ঈশ্বৰক প্ৰণাম জনাই তাই ল'ৰাজনৰ লগত বিয়াত বহিল। পৱিত্ৰ অগ্নিৰ ওচৰত বহি ৰুমাই প্ৰতিজ্ঞা কৰিলে সাতজনমলৈকে তেওঁ পতিৰ লগত থাকিব। এনেদৰে আৰম্ভ হয় ৰুমাৰ এটি নতুন জীৱন। ৰুমাৰ স্বামীৰ নাম আছিল প্ৰণৱ। প্ৰথমে প্ৰণৱে ৰুমাক ওচৰত বহিব দিয়া নাছিল। কিন্তু ৰুমাই মৰমৰ মাজেৰে অতি যত্নসহকাৰে কাপোৰ পিন্ধোৱা, ভাত খোৱা, লিখা-পঢ়া কৰা সকলো শিকাবলৈ আৰম্ভ কৰে। ৰুমাই তাইৰ স্বামীক চোৱা-চিতা কৰে। তাইৰ শিৰত থকা সেন্দুৰখিনিয়ে জানো তাইৰ স্বামীৰ পৰিচয় নহয়। সঁচাকৈয়ে প্ৰণৱ আগতকৈ বহুত ভাল হ'ল। ৰুমাই সদায় প্ৰণৱক মন্দিৰলৈ লৈ যায়। ইমানদিন পাৰ হৈ গল কিন্তু তাইৰ ইমান ধৈৰ্য। কথাতে কয় ধৈৰ্য্যৰ ফল বৰ মিঠা। ৰুমাই দুখবোৰ ঢাকি ৰাখিবলৈ নিজে দুখত থাকিও আনক সুখ দিবলৈ চেষ্টা কৰিছিল। ৰুমাই দেউতাকৰ সংস্কাৰ বচাই ৰখিছে। দেউতাকে দিয়া শিক্ষাত তাই কেতিয়াও হাৰি নাযায়। তাই মাক-দেউতাকৰ মান ৰাখিব। ৰুমা বিয়া হোৱাৰ পিছত কোনো দিনে খুড়াক-খুড়ীয়েক সেইখন ঘৰলৈ তাইৰ খবৰ ল'বলৈ নাহিল, তাই কেনে আছে এবাৰো চাবলৈ নাহিল। কিন্তু টিনা আহিছিল। টিনাই কিন্তু কোৱা নাছিল তাই তাত এবছৰ হে থাকিব পাৰিব। যদি এইখিনি কথা গম পায় তেতিয়াহ'লে ৰুমাই বহুত দুখ পাব। টিনা বিচাৰিছিল তাই প্ৰণৱৰ পত্নী হৈয়ে থাকক।

টিনাৰো মাক-দেউতাকে তাইৰ বাবে ল'ৰা চাব ধৰিলে। টিনাই ৰাজীৱ নামৰ ল'ৰা এজনক বৰ ভাল পাইছিল। মৰমিয়াল, সহানুভূতিশীল আৰু উদাৰ স্বভাৱৰ ল'ৰা আছিল ৰাজীৱ। ৰাজীৱৰ মাকো টিনাক বহুত মৰম কৰে। ঘৰত ৰাজীৱ আৰু মাকৰ বাহিৰে কোনো নাই । দেউতাক ৰাজীৱ সৰু থাকোতে ঢুকাইছে। ৰাজীৱে কোনোমতে টিউচন কৰি ঘৰ চলায় । টকাৰ অভাৱৰ কাৰণে ৰাজীৱে কলেজত নাম ভৰ্তি কৰিব নোৱাৰিলে। বৰ্তমান ৰাজীৱ মাকক লৈয়ে সুখী। টিনাৰ ল'ৰা চাই থকা কথা ৰাজীৱক কোৱাত, ৰাজীৱে কৈছিল "টিনা তুমি মোৰ লগত সুখী হ'ব নোৱাৰিবা। ভালপোৱাৰ বিনিময়ত মই তোমাক একো দিব নোৱাৰিম। তুমি মা-দেউতাৰ পচন্দৰ ল'ৰাৰ লগত বিয়াত বহা। তুমি সুখত থাকিলে ময়ো সুখী হ'ম।" কিন্তু টিনা ৰাজীৱৰ অবিহনে থাকিব নোৱাৰে। দুয়ো সজোৱা সপোনৰ প্ৰেমৰ পজাঁঘৰ, হেপাহেৰ ভৰা ৰঙীন সপোনবোৰ টিনা আৰু ৰাজীৱে সজাব নোৱাৰিবনে ? টিনাই মাক-দেউতাকক সকলো কথা কলে কিন্তু মাক-দেউতাকে মান্তি নহল। দুখীয়া ঘৰৰ ল'ৰাৰ লগত টিনাক বিয়া নিদিয়ে। কিন্তু টিনাই এইকথা সহ্য কৰিব নোৱাৰি পলাই গুছি গৈ মন্দিৰত বিয়া হল। আনক জ্বলালে এদিন নিজেও জ্বলিব লাগে। ৰুমাৰ খুড়াক-খুড়ীয়েকৰ এইবাৰ একো নাথাকিল। সকলো সম্পত্তি কাক দিব। সেই পাঁচলাখ টকাৰে ৰুমাৰ জীৱনটো বিক্ৰী কৰিলে কিন্তু টিনাৰ জীৱনটো কিনিব পাৰিব জানো। টিনাৰ বিয়াৰ কথা শুনি ৰুমা

ৰুমাই দুখ বেজাৰেৰে ভাৰাক্ৰান্ত হৈ ঘৰলৈ ঘুৰি যোৱাৰ সিদ্ধান্ত ললে। প্ৰণৱেও কান্দি কান্দি ৰুমাৰ পিছ ললে। টিনাই ভিনিয়েক প্ৰণৱক সমস্ত কথা বিৱৰি কলে। প্ৰণৱে অপলক দৃষ্টিৰে টিনাৰ মুকলৈ চাই থাকিল। ৰুমাৰ গুণ, গৰিমা আৰু ত্যাগৰ কথা শুনি প্ৰণৱ উন্মাদৰ দৰে হ'ল। আৰু ৰুমাক পত্নীৰূপে গ্ৰহণ কৰি ঘৰলৈ ওভোটাই নিয়াৰ সিদ্ধান্ত ললে।

ৰুমাৰ দৰে নিষ্কলুষ ছোৱালীজনীৰ ওচৰত খুড়াক-খুড়ীয়েকে হাৰ মানিলে। পূৰ্বতে কৰাৰ ভুলৰ বাবে তাইৰ ওচৰত ক্ষমা বিচাৰিলে। ৰুমাই তেওঁলোকক ভৰিত ধৰি চিৰদিন তেওঁলোকক তাইক নিজৰ ছোৱালী হিচাপে গ্ৰহণ কৰিবলৈ হিয়া ধাকুৰি কান্দিবলৈ ধৰিলে। আটাইৰে আনন্দৰ চকুলো ববলৈ ধৰিলে। খুড়াক-খুড়ীয়েকে চুক্তিমতে লাভ কৰা টকা পাঁচ লাখ প্ৰণৱ-ৰুমাক ঘুৰাই দি সেই টকাৰে নতুনকৈ জীৱন আৰম্ভ কৰিবলৈ আশীৰ্বাদ দিলে। এনেকৈ আৰম্ভ হ'ল ৰুমা আৰু প্ৰণৱৰ প্ৰেমৰ, আনন্দৰ, ৰাম ধেনুৰ ৰং পৰি থকা সুখৰ সংসাৰ।

ঘৰলৈ আহিল আৰু আৰু খুড়াক-খুড়ীয়েকক বুজাই ৰাজীৱ-টিনাক সিহঁতৰ ঘৰলৈ লৈ আহিল। খুড়ীয়েকজনীয়ে ৰুমাৰ ওচৰত মুখ ওলাব নোৱাৰা অৱস্থা হ'ল। ৰুমাই সকলো সম্পত্তি টিনাৰ নামত কৰি দিলে। এতিয়া ৰাজীৱে দোকান চলায়। আটাইবিলাকে স্ফুৰ্তিৰ মাজেৰে সকলো কথা পাহৰি টিনা আৰু ৰাজীৱক সুখত থাকিবলৈ আশীৰ্বাদ দিলে।

লাহে লাগে প্ৰণৱো ৰুমাৰ ত্যাগ আৰু যত্নত সম্পূৰ্ণ সুস্থ হ'ল। ৰুমাক কি দৰে ধন্যবাদ দিব সি ভাষা বিচাৰি পোৱা নাই। গিৰীয়েক প্ৰণৱক লৈ ৰুমা বহুত সুখী। মাকে প্ৰণৱক দেখি আচৰিত হৈ বহুত সময় চাই ৰল। প্ৰণৱ এতিয়া সম্পূৰ্ণ সুস্থ। মাকে প্ৰণৱক ৰুমাক ঘৰত থৈ অহাৰ কথা কলে কাৰণ প্ৰতিশ্ৰুতি মতে ৰুমাৰ এবছৰ পূৰ্ণ হৈছে। ৰুমাই আচৰিত হৈ সুধিলে- 'এবছৰ মানে !' মাকে খুড়ীয়েকৰ সৈতে হোৱা পূৰ্বৰ চক্তিৰ কথা তাইক বুজাই কলে। ৰুমাই এইবোৰ শুনি হতবাক হৈ পৰিল। গোটেই সৰগখন যেন তাইৰ মূৰত খহি পৰিল।

*নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকা, তেতিয়া সংসাৰক ভাল পাব পৰিবা। ক্ষুধাৰ্ত মানুহক ধৰ্ম কথা কোৱা বা শুনোৱা বা দৰ্শন শাস্ত্ৰ পঢ়োৱাটো হ'ল এটা অপমান কৰা।*

*-স্বামী বিবেকানন্দ*

# লক্ষ্য

মুনিন দৈমাৰী
স্নাতক দ্বিতীয় বৰ্ষ

বালিজানা এখন সৰু গাঁও। এই গাওঁৰ সমীপতে নাঙলিপাৰা আৰু ৰংপুৰ। সেই অঞ্চলৰ মানুহবোৰ সাধাৰণতে কৃষিজীৱি। কৃষিয়ে তেওঁলোকৰ প্ৰধান জীৱিকা। নাঙলি পাৰাৰ অভিজিত আৰু ৰংপুৰৰ তন্ময় দুয়ো নলেগলে লগা বন্ধু আছিল। সৰুৰে পৰাই দুয়ো একেলগে পঢ়া-শুনা কৰিছিল। এজনে আনজনক বিপদে-আপদে সহায় কৰিছিল। অভিজিত সাধাৰণতে কাৰো কথা সহজে পেলাব নোৱাৰিছিল। তন্ময়ে যেতিয়াই মাতি পঠিয়াই তেতিয়াই অভিজিতে নিজৰ কাম বাদ দি বন্ধুৰ প্ৰস্তাৱ ৰাখিছিল। অভিজিতৰ স্বভাৱ সহজ-সৰল, দেখাত ক্ষীণ-মিন বৰণত অলপ কলা। তাৰ দেউতাক আছিল এজন সাধাৰণ খেতিয়ক। দেউতাকে তেখেতৰ ডেকা কালত বহুত সুবিধা পাইছিল যদিও কপালত নাছিল বাবে সুবিধা বিলাক ল'ব পৰা নাছিল।

আচলতে সেই অঞ্চলৰ মানুহখিনিৰ বাবে বালিজানাই আছিল একমাত্ৰ শিক্ষাৰ কেন্দ্ৰ। প্ৰাইমাৰীৰ পৰা হাইস্কুললৈকে- সকলো পৰ্য্যায়ৰ স্কুল আছিল বালিজানাত। অভিজিত -তন্ময় সৰুৰে পৰা সেইখন স্কুলতে পঢ়া শুনা কৰি ডাঙৰ হৈছিল। অভিজিত হঁতেই যে সেইখন স্কুলত পঢ়িছিল তেনে নহয়, বৰং সিঁহতৰ দেউতাক হঁতো সেই স্কুলৰ ছাত্ৰ আছিল।

অভিজিতৰ দেউতাকৰ তিনি গৰাকী ককাই ভাই আৰু দুজনী ভনী আছিল। অভিজিতৰ দেউতাক আছিল দুই নম্বৰ সন্তান। অভিজিতৰ ককাদেউতাৰ কোনো শিক্ষা দীক্ষা নাছিল। কাৰণ সেই সময়ত আজি কালিৰ দৰে বহুল শিক্ষা ব্যৱস্থা নাছিল।

সেয়া আছিল ১৯৮১ ইং চনৰ ঘটনা। অভিজিতৰ দেউতাক তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। তেতিয়াই অভিজিতৰ ককাদেউতাকে দেউতাকক পঢ়া এৰি খেতি কৰিবলৈ কৈছিল। কিন্তু তেওঁৰ ইচ্ছা আছিল কলেজ পঢ়াৰ। ৰাতিপুৱা পথাৰত হাল মাৰি আহিয়ে গাতো ধুয়ে ভাত মুঠি খাই স্কুললৈ গৈছিল আৰু স্কুলৰ পৰা আহিয়ে পথাৰত আলি কাটিবলৈ যাব লগা হৈছিল। সিঁহঁমানে দুৰ্ভগীয়া আছিল যে, কেতিয়াবা কেতিয়াবা ভাত নোখোৱাকৈ স্কুললৈ যাবলগীয়া হৈছিল। কাৰণ পথাৰৰ পৰা আহি ভাত খোৱাৰ সময়ে নাথাকে। ইতিমধ্যে অভিজিতৰ দেউতাকৰ ডাঙৰ ককাই আৰু তেওঁৰ সৰু ভাইটিয়ে পঢ়া এৰি খেতিত লাগিছিল। পিচে অভিজিতৰ দেউতাকে খেতি কৰিও পঢ়া শুনা চলাই গৈছিল। মাটি, গৰু , ম'হো বহুত আছিল বাবে অভিজিতৰ ককায়েকে অকলে চম্ভলাটোও সহজো নাছিল। সিটো বছৰ তেওঁ তেনেকৈ কষ্ট কৰিয়ে কটালে। বছৰৰ শেষৰ পিছত ফলাফল দিলে আৰু তেওঁ নৱম শ্ৰেণীৰ পৰীক্ষাত পাছ কৰি দশম শ্ৰেণী পালে। এইবাৰ তেওঁৰ দেউতাকে সিদ্ধান্ত ভালকৈয়ে ল'লে যে তেওঁ পঢ়া এৰি খেতি-বাতিত মনোযোগ দিব লাগে। তেওঁ কোনো পধ্যে পঢ়িব নোৱাৰে। পঢ়া এৰি খেতি কৰিব লাগে। কিন্তু অভিজিতৰ দেউতাকে সেইটো মানি নললে। তেওঁ পঢ়িব , পঢ়িব, পঢ়িব। অভিজিতৰ ককাদেউতাকে কোনো পধ্যেই পুত্ৰক পঢ়াবলৈ মান্তি নহ'ল।

পঢ়াত বাধা পোৱাৰ বাবে তেওঁ ঘৰ এৰি গোলাঘাটৰ বৰপথাৰ পালেগৈ। তাতে নগা পুলিচ এজনৰ ঘৰত ভাড়াত থাকি পঢ়িবলৈ ললে। মানুহঘৰ বৰ ভাল আৰু মৰমীয়াল আছিল। ভাত-পানী সিহঁতে দিছিল আৰু ঘৰৰ কিছুমান কাম কৰোৱাইছিল। ইতিমধ্যে তেখেতৰ টেষ্ট পৰীক্ষাৰ সময় হৈছিল। সেই সময়ত নগা পুলিচত বহুত প্ৰাৰ্থীৰ প্ৰয়োজন হৈছিল। অভিজিতৰ দেউতাকক নগা পুলিচজনে কৈছিল "পঢ়া বাদ দি চাকৰিত সোমাই ল'। এয়াই সুযোগ। সুযোগ পাওতে ধৰি ল'। তই মাত্ৰ কৰো বুলি ক'। টকা-পইছা, কাগজ-পত্ৰৰ দৰকাৰ নাই। তেতিয়া অভিজিতৰ দেউতাকে কৈছিল-"নাই, মই নকৰো, মই কলেজ পঢ়িম তাৰ পিছতহে চাকৰি কৰিম।" নাজানো কি কাৰণত তেওঁ পঢ়াৰ প্ৰতি ইমান মনোযোগ দিছিল। পিছত মেট্ৰিক পৰীক্ষা দি উঠি ঘৰলৈ আহিছিল। আহি দেউতাক-ককাইদেউকৰ লগত খেতিত লাগিছিল। মেট্ৰিকৰ ফলাফল ওলোৱাৰ পিছত তেওঁ গোলাঘাটলৈ গুচি গ'ল। ফলাফল ল'বলৈ দেখে যে তেওঁ যিখন স্কুলত পঢ়িছিল এতিয়া সেই স্কুলখনেই নাই। ওচৰে-পাজৰে থকা ঘৰ বিলাকো নাছিল। অলপ দূৰ গৈ মানুহ এজনক সুধিলত নগা আৰু অসমীয়াৰ মাজত কাজিয়া হৈ ডাঙৰ সংঘৰ্ষ এখন হৈ যোৱাৰ কথা গম পালে। সম্ভৱত পৰীক্ষা দি অহাৰ পিছতেই সেই সংঘৰ্ষ হৈছিল। তেতিয়া তেওঁ দুখ মনেৰে গুৱাহাটীলৈ আহে আৰু এটা ডাঙৰ হওাষ্ট্ৰীত কাম কৰিবলৈ ললে। দৰমহাও অলপ অলপ কৈ বাঢ়িবলৈ ললে। ইণ্ডাষ্ট্ৰীৰ মালিকজনো তেওঁক কাম চলাই নিয়াত সহায় কৰি যাবলৈ অলপ ডাঙৰ পদ এটাত অধিষ্ঠিত কৰিলে।

গুৱাহাটীত পাঁচ বছৰ কটোৱাৰ পিছত ঘৰলৈ উভতি আহিল। ইতিমধ্যে ঘৰৰ অৱস্থা ক্ৰমান্বয়ে বেয়াৰ ফাললৈ গতি কৰিছিল। আটাইবোৰ গৰু আৰু ম'হ বিক্ৰী হৈ গৈছিল। ককাইয়েকে পৃথকে সংসাৰ আৰম্ভ কৰিলে। যোৱা বছৰ বানে গোটেই খেতি উটুৱাই লৈ গৈছিল। ম'হ-গৰু কেইটা বিক্ৰী কৰি দিব লগা হ'ল আৰু দুটা গৰু ককাইয়েকক দিব লগা হ'ল। উপায় বিহীন হৈ তেওঁ নিজেই খেতিৰ কাম চম্ভালিব লগা হ'ল। তেওঁ কেতিয়াও সৰু ভায়েক হৃতৰ দুখ কষ্ট বিচৰা নাছিল। তদুপৰি ইমানখিনি মাটিত খেতি কৰিবলৈ উপযুক্ত মানুহ বিচাৰি পোৱা নাছিল।তেওঁ ইণ্ডাষ্ট্ৰী এৰি ঘৰতে থাকিলে। ইণ্ডাষ্ট্ৰী বাদ দিয়াৰ দুবছৰ পিছত অভিজিতৰ দেউতাকে বিয়া পাতি ল'লে। সেই সময়ত গাঁৱৰ মাজেৰে ৰেল লাইন নিৰ্মাণ হ'বলৈ ধৰিছিল। তেতিয়া তেওঁলোক থকা মাটি, বহুত অংশ খেতি পথাৰ চৰকাৰক এৰি দিব লগা হৈছিল।

জন্মৰ পিছত দেউতাকে ঘৈণীয়েক সহ অভিজিতক গুৱাহাটীলৈ লৈ আহিল। প্ৰথমে ইণ্ডাষ্ট্ৰীলৈ গৈছিল যদিও পলম হোৱাৰ বাবে তেওঁক পুনৰাই সেই কামৰ সুবিধা দিয়া নহ'ল। ইয়াৰ পিছত তেওঁ বেচৰকাৰী অফিচ এটাত কাম কৰিবলৈ ললে। অভিজিত ডাঙৰ হ'ল। তাৰ পঢ়া-শুনা খৰছ, ঘৰখন চলাই নিয়াৰ খৰছ আৰু ঘৰ ভাড়া দিব লগা হোৱাত দেউতাকৰ বহুত কষ্ট হৈছিল। সেইবাবে তেওঁ গুৱাহাটী এৰি পুনৰ আপোন ঘৰলৈ উভতি আহিল। অভিজিতক ওচৰৰে বালিজানা প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিছিল।

অভিজিত এতিয়া দশম শ্ৰেণীৰ ছাত্ৰ। তাৰ এগৰাকী ভন্টিও আছিল। কিন্তু মানসিক অৱস্থা ঠিক নথকাৰ বাবে স্মৃতি শক্তি কম আছিল। কিন্তু আচৰিত কথা পঢ়াৰ বাহিৰে অন্য কথা মনত ৰাখিবলৈ সক্ষম হৈছিল। সেই কাৰণে তাইৰ জীৱনত পঢ়াৰ সৌভাগ্য নহ'ল। পিছে মাকৰ কামত তাই ভালেখিনি সহায় সহযোগ আগবঢ়াইছিল ।

এয়া আছিল ব'হাগ মাহৰ কথা। অভিজিতৰ মেট্ৰিক পৰীক্ষা শেষ হৈছিল। ব'হাগৰ বিহুত সিহঁতৰ গাওঁত এখনি বিহু সন্মিলনী হয়। তাত ল'ৰা-ছোৱালী, ডেকা-গভৰু আৰু বুঢ়া-বুঢ়ী সকলোৰে গোট খায়। বিহু প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা আৰু বহুতো

প্ৰতিযোগিতা অনুষ্ঠিত হয়। সেই বিহু সন্মিলনতে অভিজিতৰ ছোৱালী এজনীৰ সৈতে দেখা হৈছিল। ছোৱালীজনীক তাৰ বৰ পছন্দ হ'ল। সি একপ্ৰকাৰ তাইক লৈ মতলীয়া হ'ল। তাৰ মন যেন এতিয়া উৰু উৰু, হৃদয়খনো উগুল-থুগুল। সি ৰঙীন সপোন দেখা হ'ল। ছোৱালীজনীৰ লগত সি তাতে পৰিচয় হোৱাৰ কথা ভাবিছিল যদিও সাহস গোটাব পৰা নাছিল। কাৰণ আগে-পিছে ছোৱালীৰ লগত কথা পতাৰ তাৰ তেনে অভ্যাস নাছিল। পিছদিনা সকলো কথা সি ৰংপুৰৰ বন্ধু তন্ময়ক কলে। কিন্তু ছোৱালীজনীৰ চিনাকি দিব নোৱাৰিলে। কাৰণ ছোৱালীজনী ক'ৰ সি নিজে নাজানে। ব'হাগ মাহ যোৱাৰ দুমাহ পিছত হঠাৎ এদিন ছোৱালী এজনী তাৰ সন্মুখেৰে চাইকেল মাৰি স্কুললৈ গৈ থকা দেখা পালে।ছোৱালীজনীক দেখি মনত বৰ আনন্দ পালে। কিছুসময় পিছত সি গাঁৱৰে ছোৱালী এজনীক লগ পালে। সেইজনী ছোৱালী মানে অভিজিতে ভাল দেখা ছোৱালীজনী পঢ়া স্কুলৰে। অভিজিতে তাইক সুধিলে -"তই এনেকুৱা এজনী ছোৱালী চিনে পাওঁ নেকি যিজনে এই ৰাস্তাৰে সদায় অহা-যোৱা কৰে। অলপ বগা, ক্ষীণ-মিন কৈ, ৰঙা লেডিবাৰ্ড চাইকেল লৈ আহে, দেখিবলৈ ধুনীয়া।" তাই কলে - "তুমি নিশ্চয় অঞ্জুমণিৰ কথা কৈছা, তাই আমাৰ লগত পঢ়ে। আমি একেলগে থাকো। কিয় সুধিলা, ভাল লাগিছে নেকি?" সিহঁতে তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰী। ইয়াৰ পিছত সেইজনী ছোৱালী অভিজিতৰ প্ৰিয় বান্ধৱী হৈ পৰিল। কাৰণ তাইৰ জৰিয়তে সিহঁতৰ প্ৰেমৰ আদান-প্ৰদান, খবৰ, বাতৰি আদি প্ৰেৰণ কৰা হৈছিল। আচলতে অভিজিতে জনা নাছিল ছোৱালীজনী কেনেকুৱা, তাইৰ ধৰ্ম কি আছিল? হয়তো জানিবলৈ চেষ্টাও কৰা নাছিল। কাৰণ প্ৰেম হেনো অন্ধ। প্ৰেমে জাতি, ধৰ্ম, ভেদ-ভাবৰ কথা বিচাৰ নকৰে। প্ৰেমে মাথো জানে হৃদয়ৰ ঠিকনা, দুখন হৃদয়ৰ মিলন, দুটি মনৰ একাকাৰ। প্ৰেমে মাথো প্ৰেম বিচাৰে।

মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। অভিজিত আৰু বন্ধু তন্ময় দুয়ো দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। চহৰৰ কলেজত নাম লগালে। এদিন হঠাৎ সিহঁতৰ প্ৰেম তিনি মাহ মান হোৱাৰ পিছত অভিজিতে তন্ময়ৰ পৰা জানিবলৈ পালে যে - ছোৱালীজনী মানে অঞ্জুমণি অসমীয়া আছিল যদিও ধৰ্মত আছিল খ্ৰীষ্টান । অভিজিতে এই কথাত বৰ দুখ পালে। এদিন সি ছাৱালীজনীক সুধিয়েই পেলালে- তাইৰ ধৰ্মৰ কথা। তাই নিজকে খ্ৰীষ্টান ধৰ্মৰ বুলি কলে। অভিজিতৰ বাবে সেয়া একো ডাঙৰ কথা নাছিল, আছিল ঘৰ খনৰ কাৰণেহে। কাৰণ সকলোৱে নিজৰ জাতি, নিজৰ ধৰ্মক বিচাৰে। আন ধৰ্মৰ মানুহক সাধাৰণতে আকোৱালী লোৱা নলয়। আৰু অভিজিতে ভালদৰে জানিছিল যে তাৰ মা-দেউতাকো ইয়াৰ ব্যতিক্ৰম নহ'ব। অভিজিতে একো নকৈ চুপ-চাপ থাকিল। পাঁচ মাহ হৈ যোৱাৰ পিছত অভিজিতৰ ঘৰত কথাটো গম পালে। অভিজিতৰ মাক-দেউতাকে ছোৱালীজনীৰ ঘৰৰ সকলো কথা জানে, চিনিও পায়। মাক-দেউতাকে অভিজিতক বুজালে - "প্ৰেম কৰা বয়স তোমাৰ হোৱা নাই। তুমি এতিয়া বহুত সৰু হৈ আছা, এতিয়া এইবিলাক বাদ দিয়া, পঢ়াত মনোযোগ দিয়া।" অভিজিতে কি কৰিব কি নকৰিব ভাবি পাৰ নোপোৱা হ'ল। সি তাৰ প্ৰেমক কেনেকৈ বিদায় জনাব। ঠেনুকা হৃদয়ৰ প্ৰেম বুজনি দি ৰাখিব পাৰিবনে ? এতিয়া সি নজৰ মাক-দেউতাকৰ কথাকো পেলাব নোৱাৰে। অভিজিত এনেকুৱা ল'ৰা আছিল যি কাৰো আদেশ আমান্য কৰিব নোৱাৰে। নিজক বিপদত পৰিও আনক সহায় কৰাটোৱে হ'ল তাৰ স্বভাৱৰ বৈশিষ্ট্য। ইফালে অভিজিতৰ প্ৰেয়সী অঞ্জুমনিও তাৰ পৰা ক্ৰমে আতৰি থাকিবলৈ ধৰিলে। উপায়হীন হৈ অভিজিতে সিদ্ধান্ত সলনি কৰিলে আৰু মাক বাপেকৰ বিৰুদ্ধে যাবলৈ অমান্তি হ'ল।

এতিয়া অভিজিত স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। পঢ়াত ইমান চোকা নাছিল যদিও মধ্যমীয়া আছিল। অভিজিতৰ হৃদয়খন হঠাত যেন আৰু প্ৰেমৰ ঢৌৱে কপাই তুলিলে। তাৰ আকৌ প্ৰেম হৈ গল ছোৱালী

এজনীৰ সৈতে। Higher secondary New comer ৰ এজনী ছোৱালীক অভিজিতৰ খুব ভাল লাগিছিল। ছোৱালীজনী তেনেই সহজ সৰল। প্ৰথম দেখাতে অভিজিতৰ বৰ ভাল লাগি গৈছিল যদিও মনৰ কথা প্ৰকাশ কৰিব পৰা নাছিল। ছোৱালীজনীয়ে কাক কেনেকৈ মৰম-চেনেহ কৰিব লাগে সেয়া ভালদৰে জানিছিল। তাই বৰ ধনী ঘৰৰ ছোৱালী নছিল। অভিজিত নিজেও ধনী ঘৰৰ নাছিল বাবে সি ধনী ঘৰৰ ছোৱালী বেয়াও পাইছিল। সি ভালকৈ জানিছিল ধনী ঘৰৰ বোৱাৰী কেতিয়াও তাৰ মাকৰ লগত চলিব নোৱাৰিব।

প্ৰথমতে অভিজিতে ছোৱালীজনীক প্ৰেম নিবেদন কৰিবলৈ সাহস কৰা নাছিল। কাৰণ এবাৰ সি প্ৰেমত ব্যৰ্থ হ'ল। সেইবাবে জীৱনত সি প্ৰেম নকৰো বুলি মনতে প্ৰতিজ্ঞা কৰিছিল। আনকো সি প্ৰেমত পেলাই দুখ দিব বিচৰা নাছিল। কিন্তু প্ৰেম স্বৰ্গীয়। প্ৰেম কৰা নকৰাৰ ওপৰত নিৰ্ভৰশীল নহয়। ই হৃদয়ৰ সৰ্বত্তোম অনুভূতি। প্ৰেম কৰো বুলি কৰা নাযায়, প্ৰেম হঠাৎ হৈ যায়। হঠাৎ কেতিয়া, ক'ত, কেনেকৈ কাৰ লগত প্ৰেম হৈ যায় সেয়া কোনেও ক'ব নোৱাৰে। নিৰুপায় হৈ অভিজিতে প্ৰস্তাৱটো আগবঢ়াইছিল। ছোৱালীজনী প্ৰথমে মান্তি হোৱা নাছিল যদিও পিছলৈ সিদ্ধান্ত সলনি কৰিছিল।

অভিজিতৰ মাক-দেউতাকে আশা কৰিছিল অভিজিতে বি,এ, পাছ কৰি স্কুলত শিক্ষকতা কৰক। কাৰণ

এম, এ, পঢ়োৱাৰ ক্ষমতা অভিজিতৰ দেউতাকৰ নাছিল। অভিজিতৰ পঢ়াৰ খৰছৰ বাহিৰে ঘৰখন চলোৱা আৰু ভাইটিটোকো পঢ়োৱাৰ দায়িত্ব আছিল। বহুত কষ্ট হ'লেও কিন্তু দেউতাকে অভিজিতহঁতক কেতিয়াও দুখত পৰিব দিয়া নাছিল। পাৰেমানে সুখতে ৰাখিবলৈ চেষ্টা কৰিছিল। কিন্তু অভিজিতৰ লক্ষ্য আছিল এজন আৰ্মি হোৱাৰ। আৰু এইটো লক্ষ্য আছিল অষ্টম শ্ৰেণীৰ পৰাই। সেনাবাহিনীত যোগদান কৰি দেশখন ৰক্ষা কৰাৰ। অভিজিত যেতিয়া H.S. পাছ কৰিছিল তেতিয়াৰ পৰাই এইবোৰ চাকৰিৰ বাবে সাক্ষাৎকাৰ দি আহিছিল। বহুত হ'ব লগা চাকৰিও অলপতে হৈ উঠা নাছিল। B.A. 3rd year ৰ পৰীক্ষা দিবলৈ নৌপাওতে অভিজিতৰ B.S.F ত চাকৰি হৈ গ'ল। মাকে সুখ পাইছিল দুখৰ মাজতে। কাৰণ অভিজিতৰ দেউতাকে বুঢ়া কালত অলপ সুখ পাব, কষ্ট অলপ হ'লেও কমিব। চাকৰিলৈ যাবলগীয়া হোৱাত মাকে কান্দি কান্দি অভিজিতক বিদায় জনাইছিল।

অভিজিতৰ ভাইটিও এতিয়া মেট্ৰিক দিব। অভিজিত তেতিয়া Training শেষ কৰি ঘৰলৈ আহিছিল। এমাহৰ চুটি লৈ। কিন্তু দুখৰ কথা চুটি এমাহ নৌহওতেই কাশ্মীৰৰ বাবে পাকিস্তানৰ লগত ভাৰতৰ যুদ্ধ আৰম্ভ হৈছে। খৰধৰ কৈ অভিজিত গ'ল মাকৰ পৰা আশীৰ্বাদ লৈ। যি গল সি যোৱাই অভিজিত আৰু ঘৰলৈ উভটি নাহিল। বহুতকে মাৰিলে শেষত গৈ নিজেও মৰিল। এসপ্তাহ পিছত ঘৰত লৈ অহা হ'ল অভিজিতৰ মৃতদেহ। অভিজিতৰ মৃতদেহ দেখি মাক অবাক। কি কৰিব- কান্দিব নে হাঁহিব। দেশৰ বাবে মৃত্যু হৈছে এক প্ৰকাৰ গৌৰৱ। কিন্তু দেশৰ গৌৰৱ অভিজিত ঘূৰি আহিছে মৃত্যুৰ সাজ পৰিধান কৰি। মৃতদেহৰ সন্মুখত হেঁপাহ পলুৱাই কান্দিছে মাক আৰু ভনীয়েকে। কান্দোন দেখি দেউতাক-ভাইটিও নকন্দাকৈ থাকিব পৰা নাই। সান্তনা দিয়া মানুহ বহুত। কিন্তু কোনে পাৰে সিহঁতক সান্তনা দি বুজাই ৰাখিবলৈ। কান্দি চকুপানী পেলোৱৰ বাহিৰে আৰু কি কৰিব পাৰে। অভিজিতৰ জীৱনটোক উভতাই আনিব নোৱাৰে। অভিজিতৰ ঘৰত এটা হুলস্থূলীয়া পৰিৱেশ। এই দিনটো মাকে বিচৰা নাছিল। কিন্তু এয়া যে কপালৰ লিখন। বিধিৰ বিধান কোনে ভঙ্গ কৰিব পাৰে।

আচলতে মানুহৰ জীৱনৰ লক্ষ্য কি আৰু সেই লক্ষ্য কিদৰে পুৰণ কৰিব পাৰি তাক কোনেও কব নোৱাৰে। এয়া যেন একমাত্ৰ ভগবানৰ খেলা। আমি জীৱন নাটৰ একো একোজন ভাওৰীয়া। হাঁহি কান্দোনেৰে ভৰপুৰ আমাৰ জীৱন নাট। অভিজিতৰ জীৱনাট এখন বিয়োগান্ত নাটৰ দৰে। ☐

# আধুনিক

হীৰকজ্যোতি বসুমতাৰী

সিদিনা মই স্কলাৰশ্বিপ উলিয়াবৰ বাবে দুবাৰ ধূপধৰাৰ পৰা ৰংজুলিলৈ অহা যোৱা কৰিব লগা হ'ল। যিহেতু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কম ভাড়াত বেছি সুবিধা থকা যান বিধ বাছ, সেয়েহে ময়ো এই বিধ যানেৰেই অহা -যোৱা কৰো আৰু সিদিনাও এই যানেৰেই মোৰ ধূপধৰা-ৰংজুলি যাত্ৰা হ'ল।

ST সকলোক স্কলাৰশ্বিপ দি থকা হৈছে। সেয়ে পুৱা ৯ বজাতেই ওলালো হোষ্টেলৰ পৰা। পুৱাই কলেজখনৰ পৰা ওলোটা দিশে গতি কৰা দেখি প্ৰতিজন মানুহেই মোক আচহুৱা দৃষ্টিৰে চালে। কোনো কোনোৱে সুধিলেও। মই আকৌ কি কম; কওঁ ৰংজুলিত এটা কাম আছে। মই কলেজৰ হষ্টেলত থাকো; হোষ্টেলৰ পৰা বাছ ষ্টপেজলৈ খোজ কাঢ়ি যাব লাগে। অট' ৰিক্সা আদি চলে যদিও মই খোজ কাঢ়িয়েই যাওঁ। এনেকৈয়ে গৈ গৈ বাছত উঠিলো। উঠিয়ে দেখিলো এক নাটিকা। দেখিলো এজনী মহিলা, লগত তেওঁৰে দুজন ল'ৰা। এজন চাৰি বছৰীয়া আৰু আনজনৰ বয়স এবছৰ মান হ'ব। তাই বাছখনত আগতেই উঠি আছিল। তাই বকোত উঠিছিল কিজানি, পিছে গাড়ীখন ভিৰ আছিল। তাইৰ এবছৰীয়া সন্তানটো কান্দি আছিল। চিটত বহা মানুহ এজন ধূপধৰাত নামিল। সেইখন চিটত তাই বহিব বিচাৰিছিল। পিছে কণ্ডাক্তৰে তাইক বহিব নিদি গুৱাহাটীৰ পৰা ঠিয় হৈ অহা আন এজন ডেকাকহে বহিবলৈ কলে।

"ৰ ৰ। ই গুৱাহাটীৰ পৰা বেচেৰা ঠিয় হৈ আহিছে।" তাই কথাটো নুশুনা ভাও ধৰি বহিবলৈ চিটখনৰ কাষলৈ আগবাঢ়ি গ'ল।

"ঐ ইয়াক বহিব দে" কণ্ডাক্তৰে ধমক দি ক'লে। তাইতকৈ আগবাঢ়ি গৈ ডেকা ল'ৰাজন চিটটোত বহিলে আৰু হেড্ ফোন কানত লৈ ম'বাইলটোত কিবা-কিবি টিপি কামিজটোৰ বাওঁফালে থকা জেপখনত ভৰাই থলে। কিজানি 'ৰকিং' দিস্ক', কিবা গান এটাকেই লগাই শুনিলে। তাৰ মুখখন পিছে গমা হৈ থাকিল।

ইয়াকে দেখি মহিলা গৰাকীয়ে যুদ্ধখন আৰম্ভ কৰি দিলে। পিছে Indirect ভাবেহে। "আপা মানুহ হুই চিটত বইবা পায়, ইফালে মোৰ চিলটা কান্দি-কান্দি মৰ্বা লাগ্ছে। কি কথা...।" আৰু বহুত কিবা কিবি কৈ তাই উক্ত চিট্খনৰ ওচৰত চিটৰ দাবীত আন্দোলন কৰিবলৈ ধৰিলে। বিশেষকৈ তিৰোতাবোৰে তাইক সমৰ্থন কৰি ক'বলৈ ধৰিলে - "হয়ো দে। চানাটা ইমান কান্দিবা লাগছে। চিট্ এখান দিলিয়ে বা হয়।"

"আপাতাকো চা। কেংকা কুৰি আছে।" (গুৱাহাটীৰ পৰা অহা ডেকাজনক উদ্দেশ্যে) আৰু মহিলা গৰাকীয়ে তাইৰ অবাচ্য মাতেৰে বাছখন আলোড়িত কৰি থাকিল। তাই কিজানি ক্লান্ত হ'ল। হঠাৎ তাইৰ মনত এক বুদ্ধি খেলালে। তাই সৰু মাতেৰে ক'লে - "গাড়ীখন ৰাখি দি।"

তাৰ পিছত জোৰকৈ -
"ঐ ৰাখি দি। মই এতে নামিম। চিট এখান নাপালুং। নাজাং যা; এটে ৰাখি দি।"
দুজনীমানে তাইক সমৰ্থন কৰি ক'লে-
"ও! চাৱা টা কেনেকা কান্দিবা লাগিছে; ওলপ পিছতে কোঠাকুঠি পাম তাতে নামিবি দে।"
কোঠাকুঠি পোৱত হেণ্ডিমেনে বাছখনৰ দৰ্জাত ধাক্ ধাক্কৈ কোবাই দিলে। বাছখন ৰৈ গ'ল আৰু তাইৰ চাৰি বছৰীয়া ল'ৰাটোৰ সোঁ হাতত ধৰি তাই ঘোপা ঘোপে নামি গ'ল। তাই গৈ জিৰণী কোঠাত উঠিল।

গাড়ীৰ ভিতৰৰ পৰা কণ্ডাক্টৰেই নে কোনোবা এজনে ক'লে- "তাইৰ ভাড়াখিনি ৰাখি দে।" তাৰ পিছত কণ্ডাক্টৰজন ওলাই দৌৰি গৈ তাইৰ পৰা ভাড়া বিচাৰি হাতখন এক বিশেষ ভংগীমাত তৰ্জনী আৰু বুঢ়া আঙুলিটো ঘহাই ভাড়া বিচাৰিলে।
'কি'- ? তাই সুধিলে।
'ভাড়া?' প্ৰশ্নবোধক মাতেৰে আৰু কৰ্কশ মাতেৰে কণ্ডাক্টৰে কলে। ইফালে গাড়ীখনো ঘেও ঘেও কৰি আছে। "কিয়া দিমহে ভাড়া। চিট এখান নাপালো; তুহ্নাক ভাড়া লাগে?" তাই খংত অগ্নি শৰ্মা হৈ কণ্ডাক্টৰৰ ফালে চাই ক'লে। তাই হাতখন দুবাৰ মান টকা বান্ধি ৰখা ৰুমাল খনৰ ফালেও চায় আৰু কোলাত কান্দি থকা ল'ৰাটোক 'জিট' কৰাবৰ বাবে তাই ককালৰ পৰা বাওঁফালে হালি থকা পিঠিত চপৰিয়াই থাকিল। আৰু তাই যৌক্তিকভাৱে তাইৰ মনৰ আটাইখিনি ক্ষোভ উজাৰি গালি দি থাকিল।
" এ নালাগে যা।" এই বুলি কণ্ডাক্টৰ এক জাপ মাৰি বাছত উঠিল আৰু দৰজাত ওলপ খণ্ডেৰে ধক্ ধক্কৈ কোবাই দিলে।

এই ঘটনাটোৰ মই নীৰৱ দৰ্শক হৈ ৰ'লো আৰু বাছখনতে এবাৰ হাঁহি ললো।

ঘূৰি আহোতেও একে ঘটনা। এইবাৰ মানুহজনীয়ে মাত্ৰ লাহেকৈ এবাৰ কলে - "মোক এখন চিট লাগিছিল হে।" পিছে কোনেও এই কথা নুশুনিলে।

ইয়াৰ পিছৰ পৰা মই আকৌ সেই একে দিনতেই বাছেৰে ৰংজুলিলৈ আহিলো। এইবাৰ মই খালি চিট এখন দেখি ঘপহকৈ বহি দিলো। এইবাৰ কিন্তু এগৰাকীও তেনেকুৱা দুৰ্বল মানুহ তাত নাছিল। ভাবিছিলো এগৰাকী কেচুৱা থকা মহিলা দেখিলে তাইক মোৰ চিট এৰি দি মোৰ মনৰ আশা পূৰণ কৰিম। কোঠাকুঠি। হয়; কোঠাকুঠিত এগৰাকী বৃদ্ধা উঠিল। মই তেওঁক মোৰ চিটটো এৰি দিলো। তাই চিটত বহিল আৰু মোক আশীৰ্বাদ দি কলে। " বোপা, তুই আৰো কেনেকা মানুহতে; তুই আজিকালিৰ চাৱা আৰ্কি?" ☐

---

*আনে কি কৰিছে সেইটো ভৱাতকৈ মই নিজে কি কৰিছোঁ সেইটো ভবাহে বেচি দৰকাৰ। প্ৰতিজন লোকে নিজৰ কাম কৰি গ'লেই দহৰ আৰু দেশৰ সেৱা কৰা হয়।*

-ৰাজা ৰামমোহন ৰায়

*এক মিনিটৰ গল্প*

# উকা

শ্যামল প্ৰামাণিক
স্নাতক ৩য় বৰ্ষ

"যাব দিয়ক" বুলি কোৱাৰ লগে লগে চালকে গাড়ী চলাবলৈ আৰম্ভ কৰিলে। গাড়ীখন কতোৱেই নৰয়, ৰিজাৰ্ভ গাড়ী। গোৱালপাৰা জিলাৰ মিটিঙত আহিছিল। ডেকা-গাভৰু আৰু বয়সীয়াল লোকেৰে গাড়ীখনৰ প্ৰতিটো ছিটেই পূৰ্ণ। কোনো এজনো থিয় হৈ থকা নাই, সেয়ে কোনো ঠেলা-হেচাঁও নাই। প্ৰতীম ৰয়ে কেবিনত বহিছে, প্ৰতীমৰ বন্ধু শ্যামল প্ৰামাণিক, ধনিন ৰাজবংশী, পদুম কলিতা আৰু ভৰজিত নাথ। চাৰিজনীয়া ছিটৰ সন্মুখৰ আইনাৰ ওচৰত। সি তাৰ পৰাই পিছলৈ চালে গাড়ীৰ প্ৰায়বোৰ মানুহৰ প্ৰতিচ্ছবি দেখা পায় আৰু সন্মুখত কি যে মনোৰম দৃশ্য, শূণ্য ৰাস্তাত হেড লাইটৰ পোহৰ। পূৰ্ণিমাৰ ৰাতি সন্মুখৰ পৰা মাজে মাজে ৰিমি ৰিমি অহা গাড়ীৰ হেড লাইটৰ পোহৰে চকু ছাট মাৰি ধৰে। আইনাৰ মাজেৰে প্ৰতীম ৰয়ৰ চকু পৰিল তিনিজনীয়া ছিটত বহি থকা মাইনা, পায়েল আৰু শুভাষী ছিটত বহি থকা ধুনীয়া গভৰু এজনীলৈ। চকুত চকু পৰাৰ লগে লগেই তাই মিঁচিকিয়াই হাঁহিলে। প্ৰতীম উচপখাই উঠিল। পিছ মুহূৰ্ততে যেন তাৰ কিবা ভাল লাগি গ'ল। আকৌ এবাৰ চালে, গাভৰুজনীয়ে তাক লক্ষ্য কৰিয়েই আছে। প্ৰতীমেয়ো হাঁহিলে। গাড়ীৰ ভিতৰত জ্বলি থকা নীলা লাইটৰ পোহৰত সি ছোৱালীজনীৰ মুখখন ভালদৰে চাব পৰা নাছিল। সন্মুখৰ পৰা অহা গাড়ীৰ পোহৰত সৌন্দৰ্য লক্ষ্য কৰে যদিও সি তাইৰ মুখখনত যেন কিবা বিচাৰি আছে। দুঘণ্টা বাট কেনেকৈ পাৰ হৈ গ'ল প্ৰতীমেই গমকেই নাপালে। ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা নামি গাড়ীখন যেতিয়া PWD ৰাস্তাত পাৰ্কিং কৰিলে তেতিয়া প্ৰতীমৰ চেতনা আহিল। যাত্ৰী সকল চাহ খাবলৈ ৰেষ্টুৰেন্ট সোমাল। প্ৰতীমেই ৰেষ্টুৰেণ্টত বহি লক্ষ্য কৰিলে, বেচ ধুনীয়া ছোৱালী। তাইৰ উঠি অহা যৌৱন, সোণালী মুখমণ্ডল, ক'লা মেঘৰ দৰে চুলিকোচা আৰু আটিল দেহাৰে পৰী যেন লাগিল প্ৰতীমৰ। গাড়ী পুনৰবাৰ চলিল, দুয়ো আকৌ মিচিকিয়ালে। মনত ৰঙীণ কল্পনাই বাহ ল'লে। এইবাৰ গাড়ীখন ৰখোৱা যেন অনুমান হ'ল। হয় পালেহি। গাড়ীৰ পৰা নামি আহিল। ৰাতি দহ বজালৈ ধূপধৰাত ছোৱালী জনীৰ দদায়েকে উৎকণ্ঠাৰে অপেক্ষাৰত দাদাৰ লগত তাই গুচি গ'ল। তাইৰ নামটোও সোধা নহ'ল। ঘৰ ক'ত তাকো নাজানিলে প্ৰতীমেই। নেতাৰ নিৰ্দেশত "মিটিঙে মিটিঙে ইন্ কিলাৱ" দি ফুৰা বেকাৰ প্ৰতীমেই বিষন্ন মনেৰে ঘৰলৈ খোজ দি ভাবিলে চিনাকি দিবলৈকে তাৰ নিজৰ দেখোন একোৱেই নাই।

# টোকোৰা আৰু বাতি চৰাই

ধনমণি ৰাভা
উঃমাঃ দ্বিতীয় বৰ্ষ

এদিন এটা টোকোৰা চৰাইয়ে আহাৰ বিচাৰি এখন বহল পথাৰ পালে। সি একান্ত মনে আহাৰ বিচৰাত ব্যস্ত হৈ আছিল। এনেতে এটা বাতি চৰাইও সেই ঠাইতে উপস্থিত হ'লহি। সিও আহাৰৰ সন্ধানতে তালৈ গৈছিল। এটা সময়ত সিহঁত দুয়ো মুখামুখি হ'ল আৰু দুয়ো মনৰ কথা পাতিবলৈ ধৰিলে। সিহঁত দুয়োৰে কথা-বতৰা মিলি গৈছিল। সিহঁত দুয়ো সখি পাতিলে। দিনবোৰ তেনেকৈয়ে পাৰ হৈ গৈছিল। কিন্তু এদিনাখন টোকোৰা চৰাইটোৱে সখিয়েকক তাৰ ঘৰলৈ ৰাতি থকাকৈ যাবৰ বাবে নিমন্ত্ৰণ কৰিলে। বাতি চৰাইটেও সখিয়েকক তাৰ ঘৰলৈ ৰাতি থকাকৈ যাবৰ বাবে নিমন্ত্ৰণ কৰিলে। বাতি চৰাইটিও সখিয়েকৰ প্ৰস্তাৱত সন্মতি জনালে।

ব'হাগৰ নতুন কোমল ঘাঁহনিৰ মাজত বহি টোকোৰা চৰাইয়ে আন দিনাৰ দৰে সখিয়েকৰ অপেক্ষাত ৰৈ আছিল। এনেতে সখিয়েক বাতি চৰাইটিও উৰি আহি তাৰ লগ ললে। নিমন্ত্ৰণৰ কথা মতে সেইদিনা টোকোৰা চৰাইটোৱে ঘৰলৈ যাব লাগে। আবেলি পৰত দুয়ো সখি ৰং মনেৰে টোকোৰা চৰাইটিৰ বাহলৈ বুলি উৰা মাৰিলে। কাকিনী তামোলৰ পাতত ওলমি থকা তাৰ বাহৰ ভিতৰত সখিয়েকক আদৰ-সাদৰ কৰি বহুৱালে। নানা বিধ খাদ্য-দ্ৰব্যৰে আলহীক আপ্যায়িত কৰিলে। বাহটোৰ কোঠালিবোৰ দেখুৱালে। বাতি চৰাইটিয়ে ওলমা বাহত ইমানবোৰ কাৰুকাৰ্য থকা দেখি আচৰিত হ'ল। কিন্তু বতাহত হেলি দুলি থকা কোঠালি কেনেবাকৈ সৰি পৰে বুলি ভয় খালে। বাতি চৰায়ে সখিয়েকক ক'লে - "ধুমুহা, শিল, বৰষুণ হ'লে বাহটো সৰি পৰি নাযাবনে সখি ? টোকোৰা চৰাইটিয়ে কলে - "নাই নাই পৰি নাযায় সখি। এইবোৰ বহুত মজবুতকৈ বন্ধা আছে। ভয় কৰিবলৈ একো নাই।"

সাজ লগাৰ লগে লগে দুয়ো সখি একেলগে থকাৰ যো-জা কৰিলে। এনেতে পশ্চিম আকাশ ক'লা মেঘে ঢাকি ধৰিলে। কিছু ক্ষণৰ পিছতে প্ৰবল বেগেৰে এজাক ধুমুহা বতাহ ববলৈ ধৰিলে। পৃথিৱীৰ বুকুত থকা গছ-গছনিবোৰ ঠিৰেৰে ৰব নোৱাৰা হ'ল। টোকোৰা চৰাইৰ বাহ থকা কাকিনী তামোল গছবোৰে যেন হালি জালি তাণ্ডৱ নৃত্যহে কৰিছে। বতাহৰ সোঁ সোঁ শব্দত একোকে নুশুনি। টোকোৰা চৰাইৰ বাহটো এবাৰ দূৰলৈ এবাৰ ওপৰলৈ আৰু এবাৰ তললৈ উঠা-নমা কৰিবলৈ ধৰিলে। বেচেৰা বাতি চৰাইটি ভয়তে পেঁপুৱা লাগিল। সি আৰ্তনাদ কৰি চিঞৰিবলৈ ধৰিলে - 'মৰিলো ঐ সখি, সমূলি মৰিলো। মোকনো আপুনি মৰিবলৈকে কিয় মাতিলে ঐ। হে হৰি তুমি আজি ৰখিলেহে ৰাখা প্ৰভূ। এনেকৈ আপুনিনো কোনটো সাহকত থাকে বাৰু? ' সখিয়েকৰ কথা শুনি টোকোৰাই মাত লগালে - 'ভয় নাই সখি, একো ভয় নাই। মই আছো নহয়। আপোনাক মই কেতিয়াও

মৰিবলৈ নিদিও। মই মৰিলেহে আপুনিও মৰিব লাগিব। মাথোঁ কিছু সময় এই ভাবে ধৈৰ্য ধৰি থাকক চোন ? 'ইতিমধ্যে বাতি চৰাইৰ মনৰ অৱস্থা শোচনীয় হৈছিল। সি নিজকে ধিক্কাৰ দিবলৈ ধৰিলে। সি আৰু কোনো দিনে সখিৰ ঘৰলৈ নাহো বুলি মনতে প্ৰতিজ্ঞা কৰিলে। কিছু সময়ৰ পিছতে ধুমুহাই শাম কাটিলে। প্ৰকৃতিৰ গছ-বিৰিখ শান্ত হৈ থিতাপি ল'লে। টোকোৰা চৰাইটিও গভীৰ টোপনিত লালকাল হ'ল। কিন্তু বেছেৰা বাতি চৰাইটিয়ে ওৰে নিশা উজাগৰে কটালে। ৰাতিপুৱা উঠিয়েই সি সখিয়েকক মাত লগাই নিজৰ বাহলৈ গুচি গ'ল।

কিছুদিনৰ পিছত পুনৰ সেই ঠাইতে দুয়োৰে দেখা দেখি হ'ল। এইবাৰ বাতি চৰাইটোৱে সন্মান ৰক্ষা কৰিবৰ বাবে সখিয়েক টোকোৰা চৰাইটিক তাৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে। সখিয়ে নগলে বেয়া পাব বুলি ভাবি যোৱাৰ কথা দিলে। পিছদিনা আবেলি বাতি চৰাইটিয়ে সখিয়েকক ঘৰলৈ আনিলে। বাতি চৰাইৰ বাহটো এডৰা গৰু চৰণীয়া পথাৰৰ মাজত থকা এচুবুৰী উলু বনৰ মাজতে সামান্য খেৰ-জাবৰেৰে আটোমটোকাৰিকৈ সজোৱা আছিল। ওপৰৰ ফালটো বিভিন্ন খেৰ কুটাৰে ঘৰৰ চালৰ দৰে আৰু তলফালে সামান্য গাঁতৰ দৰে কৰি সৰু সৰু খেৰৰ টুকুৰাৰে দলিচা পাৰি থোৱাৰ দৰে সজোৱা আছিল । ঘৰ পোৱাৰ লগে লগে বাতি চৰাইটেয়ে সখিয়েকক বহিবলৈ দিলে আৰু নানা বিধ খাদ্য খাবলৈ দি অন্তৰৰ কথা -বতৰা পাতিবলৈ ধৰিলে। এনেতে এজাক গৰু সেই ফালেদি দৌৰি আহিছিল। গৰুৰ জাকটো বাহটোৰ নিচেই কাষলৈ দপ্ দপাই আগবাঢ়ি অহা দেখি টোকোৰা চৰাইটোৰ ভয়তে থৰকাচুটি হেৰাল। সি খোৱা-বোৱা এৰি আৰ্তনাদ কৰি চিঞৰিবলৈ ধৰিলে। 'মৰিলো ঔ সখি, মৰিলো। গৰুবোৰে আমাক গচকি মাৰিব এতয়া। আপুনিনো কোনটো সাহসত এইদৰে বৈ আছে। উস্ ভগৱান, এটা গচকতে প্ৰাণবায়ু উৰি যাব এতিয়া।" সখিয়েকৰ ভয়াৰ্ত কণ্ঠস্বৰ শুনি বাতি চৰাইটিয়ে ক'লে- 'একো ভয় নকৰিবা সখি। সিহঁতে আমাক নামাৰে। সিহঁতে নিজৰ বাটেৰে নিজ গুচি যাব।' কাল বিলম্ব নকৰি বাতি চৰাইটিয়ে হাউম্ হাউম্ কৈ বাঘে গোজোৰাদি অদ্ভুদ শব্দ কৰিবলৈ ধৰিলে। লগে লগে গৰুবোৰে কাণ-মূৰ থিয় কৰি পলাই ফাট মাৰিলে। সখিয়েকৰ বুদ্ধি দেখি টোকোৰা চৰাইটো আচৰিত হ'ল। তথাপি টোপনিতে গৰুৱে গচকি মাৰিব বুলি ভয় খাই ততালিকে সখিয়েকৰ ঘৰৰ পৰা বিদায় ল'লে । সিও মনতে প্ৰতিজ্ঞা কৰিলে 'সখিৰ ঘৰলৈ আৰু কেতিয়াও নাহো। ' তাকে কয় বোলে -

"এজন থাকে আলাসত  
আনজন বিচাৰে মাটি  
কাৰো সুখ কোনেও নেপায়  
মাথো হয় লটি ঘটি।"

(সংগৃহীত ৰাভা সাধু)

# उनदाहा

रनेन स्वरगियरी

अनाराम माहाजोननि न'नि सोरगिदिं ग्रोम ग्रोम गइ, थाइजौ, खान्थालनि बागान बारि। न'नि सोरगिदिं सिमाया पाक्कानि अवालजों दुमथेनाय। अनाराम माहाजोननि बिसिनि मुङा सोमस्रि। बिसोरनि लोगोआव नायल' जाल' फारौ जरा बादि फिसाज्ला आरो फिसाजो सासेल' थार। फिसाज्लानि मुङा दैथुन आरो फिसाजौनि मुङा दैमु। दैथुनआ दैमुनि गेदेर बिदा आरो दैमुआ दैथुननि उन्दै बिनानाव। दैथुना मेट्रिक आनजाद होदोंमोन नाथाय खेबनै खेबथाम होनानैबो उथ्रिनो हायैलाय बेखिनियावनो फरायनायखौ ग्राब गारो। दैथुनमोननि गामिनि मुङा थुरिबारि। गोदो गामि नाङैनो थुरि हाग्राजों ब्रुंफबजुबनायमोननो, बेखायनो गामिनि मुंखौ थुरिबारि होननानै बुंनाय जायो।

अनाराम माहाजोननि न'नि सोरगिदिं बिफां-लाइफांजों बुंफबनाय फैलाउ गुवार उदां फोथार। अनाराम माहाजोननि नआव गोबां मानसि गैया। बुंनो थांब्ला गावजों लोगोसे बिसि आरो नायल' जाल' फिसाज्ला आरो फिसाजो सासेल'थार। लोगोसे नखराव खामानि मावनो थाखाय दाहोना आरो रुवाथि सासे दंफायो। दाहोनानि मुङा राखेब आरो रुवाथिनि मुङा फावदुर।

दैमुनि ननि सेरजों बोहैलांदों जिरि-जिरि-जिरि ........................ मोनसे जालिया दैमा फिसा। जायगाया निजोम आरो स्रि स्राय दउब बास्रिनाय बादि। अनाराम माहाजोना बे समायना जायगायाव नबथि लुनानै थानाया नैजिबा (25) बोसोरनिबो बारा जाबाय। गावसोर थानाय ननि सानजा फारसे ओंखाम संग्रा इसिं न आरो साहा फारसे सोरबाफोर आलासिफोर फैब्ला थानाय जिरनि न' बेखौ बर' फोरा "सोरा न" होननानैबो बुङो। जानाय-लोंनाय, माइ-माइरंनिबो जेबो आंखाल गैया। हा-हुआबो गामिनि गुबुन मानसिफोरनिखुइ अनाराम माहाजोनानो बांसिन होननानै बुंजायो। गोबां हा-हु, धोन-दौलत, गोनांखायनो अनारामखौ गामिनि मानसिफोरा अनाराम माहाजोन होननानैसो गाबज्रियो। नखरनि गासै खामानिखौनो गावजों लोगोसे दाहोना राखेब आरो रुवाथि फावदुरानो मावजुबनायमोन। दैमुआबो लासै लासै गुफुर

गावदां नायनो मोजां जान्जियाव गानफुनाय सिख्लासा महर मोनबाय। बैसोआ दा 19-20 बोसोरसो जाबाय।

दैमुआ गामिनि खाथिनि बेहेर बारि जुनियर कलेजनिफराय हायेर सेकेन्डारी (H.S) आन्जादआव गांनै लेटार मार्क लानानै सेथि Division आव उथ्रिसार जाबाय। बेनि उनाव गामि खाथिनि बेहेरबारि कलेजआव बि.ए. थाखोसिम सोलोंथाइ लानायनि खाबु गैयैनि थाखाय बिफा अनाराम माहाजोनआ गुवाहाटी मुलुग सोलोंसालियाव बि.ए. नि सेथि थाखोआव मुं थिसननानै होनायसै बेनि उनाव दाननैसो कलेज हष्टेलआव थानायनि उनाव सानसे खालि हरखाब सासे बर' सेंग्राया बिनि मेगननि नोजोराव गोलैनायसै। नुनायाव गोजौ हेनसाम नायनानै बर सेग्रा बादि नुवा। बेनि उनाव दैमुआ लासै लासै बे सेंग्रानि खाथि सिम थांनानै आदाया बर' सेंग्रासो नामा होननानै सुंलो सोंनासै? दैमुआ सोंलु सोंनाय लोगो लोगो बै सेंग्राया औ, आं बर' सेंग्रासो, आंनि मुंआ रुगुं ब्रह्म आरो आं दा बि.ए. नि जोबथा थाखोआव फरायगासिनो दं होन्नानै बियो गावनि सिनायथिखौ होग्रोनायसै। नों बिनानाव बबेनि जाखौ होननानै रुगुंआ लाजिस्लु दैमुनि फारसे नायनानै सोंगोन सोंआ सोंनायसै? लोगो लोगो आं थुरिबारि गामिनि आरो आंनि मुंआ दैमु बरगयारी आरो आं बे कलेजआव बि.ए. नि सेथि थाखोआव गोदानै मुं थिसन फैदों होन्नानै बियो गावनि सिनायथिखौ होनायसै। दैमु आरो रुगुं सानैबो गावबा गावनि सोमोन्दै रायज्लायलायबाय थानाय समावनो हरखाब रुगुंनि सासे लोगोआ रुगुं क्लास लाया नामा होन्नानै बुंथेहरनायसै। दैमु नों थाथदो आं क्लास लाहैदनि होन्नानै रुगुंआ गावनि लोगो लिंहरनाय खथा फारसे लं,लं, ग्रुब ग्रुब थाबायनानै थाखो खथासिम हाखो दाखौ हाबहैनायसै। दैमुआबो रुगुं थांनाय थाखो खथाफारसे दसे सम गलल नायहरबाय थानो हमनायसै।

बै सानखालिनिफ्रायनो दैमुनि गोसोआ रुगुंनि फारसे माबा माबि बायदि बायदि सान्नाय हनाय जाखां फैबाय थानो हमनायसै। मानोना रुगुंआ सासे सोलोंथाइ गोनां गोथार गोसोनि मानसि। फरायनायावबो जोबोद आखा-फाखा गुबुनफोर बायदि नङा। बोसरफ्रोमबो गांनै गांथाम लेटार मार्क लानानै आनजादाव उथ्रियो। बेनिखायनो रुगुंनि कलेजनि फोरोंगिरिफोराबो जोबोद अनसोगारो। बेफोर गासैबो रुगुंनि बाथ्राखौ मिथिना मोननानै दैमुआ गावखौनो गाव गोसोआव जोबोद गोजोननाय मोननायसै। मानोना बेबादि आखा-फाखा सेंग्राखायनो दैमुआ रुगुंखौ गावनि जीउनि जोहोलाव महरै गनायनानै लानायसै। बेबादिनो दैमुआ रुगुंखौ लासै लासै गोसो गोर्बो होनानै मोजां मोननो हमनायसै। गुबुन फारसेथिं रुगुंआबो दैमुखौ लोगो मोनजेन्नाय समनिफ्रायनो दैमुनि फारसे माबा माबि बायदि बायदि सान्नाय हनाय

जाखां फैबाय थानायसै। बेबादिनो दैमु आरो रुगुंनि गेजेराव सानफा एफा गोथार मोजां मोननाय आरो अनज्लायनायादि दाहार बहैनायसै। थारैनो बिसोर सानैजों गोसो गोर्बो होलायनानै मोजां मोनलायनो हमनायसै। सासेआ सासेखौ दसे नुवाब्लानो नागारनानै थानो हायै जालाबायनायसै। बिदिनो बिसोरनि गोथार गोसो गोर्बो होलायनानै मोजां मोनलायनाया बोसोरसे बोसोरनै हालो दैलो बारलांनायसै।

रुगुंनि गामिया दैमुनि न'निफ्राय 40-50 कि.मि. सो थांब्लानो मोनो बारा गोजाननि लामा नङ। दानिया रुगुंआ एम.ए. नि जोबथा आन्जादआव गाहामैनो उथ्रिसार जाबाय। रुगुंनि गामिनि मुंआ दोलबारि। गामि खाथियाव गंसेबो कलेज गैयैनि थाखाय दोलबारि बर' थुनलाइ आफादनि नाजानायाव आरो दुलाराय बर' फरायसा आफादनि नाजानायाव हायेर सेकेन्डारि (H.S) थाखोसिम गंसे भेन्सार जुनियर कलेज गायसन्नाय जायो। बे जुनियर कलेजावनो रुगुंआ बर' थुनलाइ आफादनि खावलायनायाव आरो बर' फरायसा आफादनि नारसिननायाव सासे भेन्सार फोरोंगिरि महरै मावसोमनानै थानो हमनायसै। गावजों लोगोसे 7-8 फोरोंगिरि दंफायोमोन। बिसोरनि गेजेराव सासे सिख्ला फोरोंगिरि दंफायोमोन मुङ बिनि सनाथि ब्रह्म।

फारसेथिं दैमु आरो रुगुंनि गोथार मोजां मोनलायनायनि सुथुर महरै दैमुनि बिफा अनाराम माहाजोनआ गसंथेदोंमोन। मानोना रुगुंआ सासे साखि्र गैयै बाखि्र गैयै बेखार सेंग्रा, गुबुन फारसेथिं नखरनि हाल-सालाबो बारा मोजां नङ। गुबुन फारसेथिं कलेजनि खामानियाबो अरायथा (permanent) जायाखै। बेफोर गासैबो गुदि खोथाखौ मिथिनानै मोननायनि उनाव अनराम माहाजोना दैमुखौ रुगुंजों हाबा होनो हानाय नङ होन्नानै थाल्ला थोल्ला फोरमायनानै होनासै। बिफानि बेबादि बुंनायाव दैमुआ आफा आं रुगुंखौ नागारनानै गुबुनजों जुलि जानो हानाय नङ होन्नानै हब्रा हब्रा गाबनो हमनायसै। बे सानखालि रुगुंआ दैमुनि दुखु दाहानि खौरांखौ मोननाय लोगो लोगो दैमुमोननि न'सिम फैदोंमोन नाथाय दैमुखौ बहा लोगो मोननो दैमु थानाय खथाखौ बिफा अनाराम माहाजोनआ ताला मारिनानैसो दोनदों। रुगुंआ मा खालामगोन मा मागोन जानानै दैमुनि न'नि बारान्दायावनो दान्दिसे सम आनजारै जिरायनानै थानायसै। थिक बे समावनो दैमुनि बिफा अनाराम माहाजोनआ रुगुंजों दा मुगा मुगि जाफैनायसै। रुगुंखौ नुनाय लोगो लोगो अनाराम माहाजोना यै थिफुदालदा सेंग्रा नों सोर होनानै खाब्रां रावजों बुंनायसै? आं दोलबारि गामिनि आरो आंनि मुंआ रुगुं ब्रह्म होन्नानै बियो गावनि सिनायथि होनायसै। लोगो लोगो अनाराम माहाजोनआ रागा दिउ दिउ जानानै रुगंखौ हावरिया नेहाद जानानै नों दिनै सनानि थुरसियाव ओंखाम जानायनि सिमां नुदों होन्नानै बायदि बायदि

गाग्रि रावजों सोंखारिनानै रायनो हमनायसै आरो नों थाबनो बे जायगानिफ्राय गोख्रै ओंखार लां होन्नानै गोरा गोरा रावजों रायनो हमनायसै। अब्ला रुगुंआ बुंनायसै नोंथाङा आंखौ होखारलायनायनि गोनांथि गैया आं गावनो थांगोन। नाथाय नोंथाङाबो मोनसे बाथ्रा गोसोआव लाखि नोंथाङा बेसेबा धोन-दौलत गोनां बिजामदैनि बिहाव जायो बेखौ आंबो सानसे नुगोन होन्नानै रुगुंआ ब्लद ओंखार लांनायसै।

दैमुखौ हाबा होनायनि थाखाय अनाराम माहाजोनआ सासे मोजां साख्रिवाला बिजामादै नागिरनानै गावसोर गामि खाथिनि मोनबारु देवानीनि लानजायाव हमनायसै। मानोना मोवबारु देवानिया जोबोद सियान बियो मावनो हायै खामनियानो गैया, थगाय थसिब्लाबो बियो खामानिखौ जाहोयोखि जाहोथारो। अनाराम माहाजोननि बुंनायाव मोनबारु देवानिया दैमुखौ हाबा हरनायनि थाखाय गोदो गावनि बिसिगि सबन गावबुरानि फिसाज्ला समेस गावबुराजों दैमुखौ हाबा होनायनि थाखाय बाथ्रा होनायसै। थारैनो मोनाबारु देवानिनि बाथ्रा बादि गाजा गोमजायैनो सबन गावबुरानि फिसाज्लाजों दैमुनि गोथार जुलिया थांनायसै।

रुगुंआ दैमुखौ जुलि लानानै आलो गोजोन रायजो जानो सान्नाय सिमाङा सिमाङैनो जानानै थानायसै। रुगुंआ दैमुनि गोथार जुलि जानानै थांखांनायनि उनावबो दैमुनि महर मुस्रिखौ बावनो हायै जानायसै। एखनब्ला बावनो सानो नाथाय बोवनो हायैयाव रुगुंनि गोसोआ जुजायनि अर बादि रोहो रोहो खामग्लिनो हमनायसै। आरो बियो दैमुखौ गोसो गोर्बो होनानै मोजां मोनो होन्नानै मोथो मोथो गाबनो हमनायसै। थिग बे समावनो रुगुंजों कलेजाव फोरोंगिरि हिसाबै खामानि मावग्रा मिस सनाथि ब्रह्मआ रुगुंनि न'सिम नुजाथि फैनायसै। रुगुंआ दैमुखौ हाबा हरनायनि सोमोन्दै फारि फारि खोनथालांनायाव सनाथिया दुखु खालामनानै बुंनायसै दा नों बेफोरखौ सानबाय थाब्ला मा जाबावनो जा जानांगौ गासैबो जालां जोबबाय। दा गासैबो बेफोर सान्नाय हनायखौ नागारदो, आं मानो नोंनि न'सिम फैदों नों मिथिगोना मिथिया होन्नानै सनाथिया सोंनासै? आं नोंनि सिम मोनसे मोजां खौरांसो फोरमायनो फैदों। मा मोजां खौरांनि बाथ्रा सनाथि होन्नानै रुगुंआ सोंनायसै? जोंनि कलेजनि खामानिया सरकारि जासिगोनखौ नोंथाङा मिथिनानै मोनाखै नामा? बर थुनलाइ आफादनि आरो दुलाराय बर फरायसा आफादनि मावथिफोरा जोंनि कलेजखौ सरखारि खालामनो नांगो होन्नानै आसाम सरकारनियाव दाबि दैखां गासिनो दं। बेनि उनाव दाखालि बर थुनलाइ आफादनि आफादगिरि आरो बर फरायसा आफादनि आफादगिरि बिथांमोना जोंनि कलेजाव गेवलां मेल खुंनानै रोखा रोखा फोरमायदों आरो जोंनि कलेजनि खामानि अरायथा (permanent)

जासिगोन होन्नानै बे गेवलां मेलावनो रोखा रोखा फोरमायदों। नों दा गावखौनो गाव गोसो हमथानानै सोलिदो आरो बेफोर जालांनाय जाथायफोरखौ सानबाय थानांला होन्नानै सनाथिया गावनि न' फारसे गिदिं लांफिननायसै।

थारैनो सनाथिया बुंनाय बादिनो अखाफोर दानसेनि उनावनो साख्रिया जामारनायसै। अब्लासो रुगुंआ बेसेबांबा गुवार लैथोनिफ्राय गोदोनायनिफ्राय गावखौनो गाव रैखा मोननाय बादि मोननायसै। रुगुंआ साख्रि जाखांनायनि उनाव न बांखौ एसे एनै मोजां खालामनो नाजानायसै आरो लासै लासै मोजांनि लामा फारसे फैनायसै। दा रुगुंआ नेहाद हाउरिया नंलिया। गोदो थिंनि दोथाबनाय हाजों लिरनाय इन्जोरनि सायला न'मोन नाथाय दानिया इटाजों लुनाय गिदिर गिदिर पाक्कानि न'। बुंनो थांब्ला दा जेनिबो आंखाल गैला नखरा दा एसे मोजांनि लामा फारसे फैबाय। बिमा-बिफायाबो लासै लासै बोराय-बुरै जानानै फैबाय। गावखौलाय बेसेबां सङ्खावै जाहोबावनो, बिमा बिफानि थाखाय दा सासे हाबा-हुखा गोरों बिहामजोनि गोनांथि जादों बेखौ जाफुंहोनो थाखाय मिस सनाथि ब्रह्मखौनो जुलि लानानै आलो-गोजोन रायजो जालांनो सान्नायसै। मानोना सनाथिया गायनाय-फुनाय, संनाय-खावनाय गासै खामानियावनो आखा-फाखा, आरो सान्नाय हनायवबो जोबोर मोजां गावजों गोरोबलायनो हागोन बेखायनो रुगुंआ सनाथिखौ जुलि लानायनि थाखाय रादाय खानायसै। थारैनो बैसागداननि गिबि हाप्तायावनोरुगुं आरो सनाथिनि गोथार जुलिाय गाजा गोमजायैनो जानानै थांनायसै आरो बिसि-फिसाय जिउ लामायाव आलो-गोजोन रायजो जालांनो हमनायसै।

गुबुन फारसेथिं अनाराम माहाजोननि नखरा दाउब बाख्रिनाय बादि जोबोद दुखुनांथाव जालांनायसै। बिचि सोमख्रियाबो दैमुखौ हाबा हरखांनायानि दाननै दानथामनि उनावनो टाइफ्येद बेरामाव गोग्लैनानै अबंथिरा रुंसारि जालाङो। फिसाज्ला दैथुनआबो सानफ्रोंबो जौ जोंनो ग'फबनानै थानो हमनायसै। गुबुन फारसेथिं बिजामादैआबो जौ लोङैलोङै बिसिनि सायाव अनागारि खालामनो हमनायसै। नखराव जा एसे एनै रां रुफा, हा-सम्फथि दंमोन बेफोरखौबो जुवा गेले गेले फोजोबस्रांनानै लानायसै। बोथिसे जायोब्ला बोथिसे राननानै थानो गोनां जानायसै। उनाव अनराम माहाजोनआ फिसाजोनि सायाव गाव मा गोरोन्थि खालामफ्लांखौ गाबै गाबै हांमा सुरहाब सुरहाब उनदाहा खालामनो हमनायसै।

☐ ☐